# বেংক মিলকৰণ বিবৃতি

# Bank Reconciliation Statement

# 5

ইতিমধ্যে চতুৰ্থ অধ্যায়ত তোমালোকে শিকিলা যে ব্যৱসায় সংগঠনবোৰে নগদ আৰু বেংকৰ লগত হোৱা লেনদেনবিলাক নগদ বহীত লিপিবদ্ধ কৰে। নগদ বহীয়ে নগদ হিচাপ আৰু বেংক হিচাপ উভয়ৰে উদ্দেশ্য সাধন কৰে আৰু নিৰ্দ্ধাৰিত সময়ৰ শেষত উভয়ৰে উদ্বৃত্ত দেখুৱায়।

এবাৰ নগদ বহী উদ্বৃত্ত কৰিলে প্ৰতিষ্ঠানটোৰ ইয়াৰ সচৰাচৰ বেংকে লিপিবদ্ধ কৰা বেংক লেনদেনবোৰৰ বিশদ প্ৰতিৰোধ ব্যৱস্থা গ্ৰহণ কৰিব পাৰে। প্ৰতিৰোধ ব্যৱস্থা সক্ষম কৰিবৰ বাবে নগদ ৰক্ষক এইটো নিশ্চিত কৰাৰ প্ৰয়োজন যে নগদ বহীত সকলোবিলাক লেনদেন লিপিবদ্ধ হৈছে আৰু এখন বেংক বিবৃতি (বা বেংক পাছবুক) বেংকৰ পৰা লোৱা হৈছে। বেংক বিবৃতি বা বেংক পাছবুক হ'ল বেংকে লিপিবদ্ধ কৰি ৰখা বেংক হিচাপৰ প্ৰতিলিপি। বেংক বিবৃতিয়ে বেংকৰ গ্ৰাহকজনৰ জমা পুঁজিৰ বিষয়ে জানিবলৈ সুবিধা দিয়ে আৰু তেওঁলোকৰ লগত সংঘটিত হোৱা বেংক লেনদেনবোৰৰ নিয়মীয়া লিপিৱদ্ধকৰণত সহায় কৰে। চলিত হিচাপত ব্যৱহাৰ হোৱা বেংক পাছ বুক এখনৰ নমুনা 5.1 ত দেখুওৱা হ'ল।

পাছবুক বা বেংক বিবৃতিত দেখুওৱা উদ্বৃত্তৰ পৰিমাণ নগদ বহীৰ উদ্বৃত্তৰ লগত মিলিব লাগে। কিন্তু বাস্তৱ ক্ষেত্ৰত দুয়োখন বহীৰ উদ্বৃত্তৰ মাজত অমিল দেখা পোৱা যায়। গতিকে আমি এই পাৰ্থক্যৰ কাৰণ সমূহ নিৰ্দ্ধাৰণ কৰিব লগা হয়। এইটো পৰ্যবেক্ষণ কৰিব লাগে যাতে বেংক বিবৃতি / পাছবুকৰ ক্ৰেডিট স্তম্ভত সকলো জমা আৰু ডেবিট স্তম্ভত সকলো আহৰণ লিপিবদ্ধ কৰা হয়। এইদৰে যদি জমাৰ পৰিমাণ আহৰণতকৈ বেছি হয় ই ক্ৰেডিট উদ্বৃত্ত দেখুৱায় আৰু যদি জমাৰ পৰিমাণ আহৰণতকৈ কম হয় ই ডেবিট উদ্বৃত্ত (জমাতিৰিক্ত) দেখুৱায়।

**শিকাৰ উদ্দেশ্য**

এই অধ্যায়টো অধ্যয়ন কৰাৰ পিছত তোমালোকে-

- বেংক মিলকৰণ বিবৃতিৰ অৰ্থ আৰু ইয়াৰ প্ৰস্তুত কৰাৰ প্ৰয়োজনীয়তা।
- নগদ বহী আৰু পাছবুক অনুসৰি বেংকৰ উদ্বৃত্ত অমিল হোৱাৰ কাৰণসমূহ চিনাক্তকৰণ।
- বেংক মিলকৰণ বিবৃতিৰ প্ৰস্তুতকৰণ।
- নগদ বহী অনুসৰি শুদ্ধ বেংক উদ্বৃত্ত নিশ্চিতকৰণ।

## 5.1 মিলকৰণৰ প্ৰয়োজনীয়তা (Need for Reconciliation)

যেতিয়া প্ৰতিষ্ঠানটোৰ নগদ বহীৰ বেংক স্তম্ভৰ উদ্বৃত্ত আৰু পাছবুকৰ মতে থকা উদ্বৃত্তৰ তুলনা কৰা হয় তেতিয়া সাধাৰণতে অমিল দেখা পোৱা যায়। গতিকে প্ৰথমতে এই অমিলৰ কাৰণসমূহ বাছি উলিয়াই পিছত দুয়োখন বহীৰ উদ্বৃত্তৰ মিলকৰণৰ বাবে যি বিবৃতি প্ৰস্তুত কৰা হয় তাকেই বেংক মিলকৰণ বিবৃতি বুলি কোৱা হয়।

বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰিবৰ কাৰণে কোনো এটা নিৰ্দিষ্ট তাৰিখত নগদ বহী অনুসৰি বেংকৰ উদ্বৃত্ত, এখন বেংক বিবৃতি আৰু দুয়োখন বহীৰ বিশদ তথ্যৰ প্ৰয়োজন হয়। যদি দুয়োখন বহীৰ উদ্বৃত্ত অমিল হয়, তেতিয়া দুয়োখন বহীৰ প্ৰবিষ্টিবোৰ তুলনা কৰা হয় আৰু অমিলৰ কাৰণ আৰু পৰিমাণ বাছি উলিয়াই বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা হয়। বেংক মিলকৰণ বিবৃতিৰ নমুনা 5.02 দেখুওৱা হ'ল।

| | বিৱৰণ | টকাৰ পৰিমাণ |
|---|---|---|
| | নগদ বহী অনুসৰি বেংকত জমা | --------- |
| যোগ ঃ | চেক প্ৰদান কৰা হৈছে কিন্তু বেংকত দাখিল কৰা হোৱা নাই বেংকৰ | --------- |
| | বেংকৰ দ্বাৰা সুত ক্ৰেডিট কৰা হৈছে | --------- |
| | | -------- |
| বাদ ঃ | চেক জমা কৰা হৈছে কিন্তু বেংকৰ দ্বাৰা ক্ৰেডিট কৰা হোৱা নাই। | --------- |
| | বেংকৰ ভৰণি নগদ বহীত লিপিবদ্ধ কৰা হোৱা নাই | --------- |
| | পাছবুক অনুসৰি বেংকত জমা | XXXX |

আকাৰ **5.2** *বেংক মিলকৰণ বিবৃতিৰ নমুনা*

বেংক মিলকৰণ বিবৃতি টকাৰ পৰিমাণৰ বাবে দুটা স্তম্ভ সহায়তো প্ৰস্তুত কৰিব পাৰি। এটা স্তম্ভই যোগৰ পৰিমাণ (+ স্তম্ভ) আৰু আনটো স্তম্ভই বিয়োগৰ পৰিমাণ (- স্তম্ভ) দেখুৱায়। সুবিধাৰ বাবে আমি সচৰাচৰ এই পদ্ধতি প্ৰয়োগ কৰোঁ।

| | বিৱৰণ | টকাৰ পৰিমাণ (+) | টকাৰ পৰিমাণ (-) |
|---|---|---|---|
| | নগদ বহী অনুসৰি বেংকত জমা | ----------- | |
| | চেক প্ৰদান কৰা হৈছে কিন্তু বেংকত দাখিল কৰা হোৱা নাই | ----------- | |
| | বেংকৰ দ্বাৰা সুত ক্ৰেডিট কৰা হৈছে | ----------- | |
| | চেক জমা কৰা হৈছে কিন্তু বেংকৰ দ্বাৰা ক্ৰেডিট কৰা হোৱা নাই | | ------- |
| | বেংকৰ ভৰণি নগদ বহীত লিপিবদ্ধ হোৱা নাই | | ------- |
| | পাছবুক অনুসৰি বেংকত জমা | | XXXXX |

আকাৰ **5.3** *বেংক মিলকৰণ বিবৃতিৰ নমুনা*

ধীৰেন্দ্ৰ নেচনেল বেংক
কোন্নাট প্লেছ

মাল্টি মোডুল পেকেজ
হিচাপৰ বিবৃতি
01/09/2005 ৰ পৰা 29/12/2005 লৈ

তাৰিখ .01/09/2005
ও.পি. আই. ডিঃ জিকে
পৃষ্ঠা নং ঃ 1

হিচাপ নং - 03355
নাম ঃ দেৱ পণ্ডিত
খাড়্বাই, ৰুনাকুটা দিল্লী
পিনকোড ঃ 110034

| তাৰিখ | বিৱৰণ | চেক নং | ডেবিট টকা পইচা | ক্রেডিট টকা পইচা | উদ্বৃত্ত টকা পইচা | + মন্তব্য |
|---|---|---|---|---|---|---|
| | | | | আৰম্ভণি উদ্বৃত্ত | 50,782.30 | + |
| 04/08/2005 | দিল্লী পি এল এ | 356376 | 35,000.00 | | 15,782.30 | + |
| 07/08/2005 | নিজ লৈ | 356377 | 10,000.00 | | 5,782.30 | + |
| 13/08/2005 | ছি এল জি ৰ দ্বাৰা | | | 10673.00 | 16,455.30 | + |
| 13/08/2005 | ছি এল জি ৰ দ্বাৰা | | | 9143.00 | 25,598.30 | + |
| 17/08/2005 | নিজ লৈ | 356378 | 20,000.00 | | 5,598.30 | + |
| 21/08/2005 | ছি এল জি ৰ দ্বাৰা | | | 25808.00 | 31,406.30 | + |
| 26/08/2005 | ছি এল জি ৰ দ্বাৰা | | | 32949.00 | 64,355.30 | + |
| 02/09/2005 | নিজ লৈ | 356381 | 30,000.00 | | 34,355.30 | + |
| 04/09/2005 | দিল্লী প্লাষ্টিক | 356382 | 10,000.00 | | 24.355.30 | + |
| 08/09/2005 | আই চি আই চি আই | 657755 | 6,074.00 | | 18,281.30 | + |
| 09/09/2005 | ছি এল জি ৰ দ্বাৰা | | | 3146.00 | 21,427.30 | + |
| 13/09/2005 | নিজ লৈ | 356380 | 9,500.00 | | 11,927.30 | + |
| 15/09/2005 | ছি এল জি ৰ দ্বাৰা | | | 5320.00 | 17,247.30 | + |
| 15/09/2005 | ছি এল জি ৰ দ্বাৰা | | | 18564.00 | 35,811.30 | + |
| 16/09/2005 | সেৱাৰ ভৰণিলৈ | | 120.00 | | 35,691.30 | + |
| 21/09/2005 | নিজ লৈ | 356383 | 20,000.00 | | 15,691.30 | + |
| 25/09/2005 | নিজ লৈ | 356385 | 10,000.00 | | 5,691.30 | + |
| 27/09/2005 | ছি এল জি ৰ দ্বাৰা | | | 16198.00 | 21,889.30 | + |

ধীৰেন্দ্ৰ নেচনেল বেংকৰ হৈ
হিচাপৰক্ষক / পৰিচালক

**আকাৰ 5.1** *বেংক বিবৃতিৰ নমুনা (চলিত হিচাপ)*

নগদ বহী আৰু বেংক পাছবুকৰ উদ্বৃত্তৰ মিলকৰণে সিহঁতৰ মাজত হোৱা পাৰ্থক্যৰ ব্যাখ্যা আগবঢ়ায়। নগদ বহী আৰু পাছবুকৰ উদ্বৃত্তৰ পাৰ্থক্য তলত দিয়া কাৰণত হব পাৰে।

- লেনদেন লিপিবদ্ধ কৰোতে হোৱা সময়ৰ ব্যৱধান।
- ব্যৱসায় বা বেংকে কৰা ভুলৰ বাবে

### *5.1.1 **সময়ৰ ব্যৱধান** (Timing Differences)*

যেতিয়া এটা ব্যৱসায়ে নগদ বহীৰ উদ্বৃত্তৰ লগত পাছবুকৰ উদ্বৃত্তৰ তুলনা কৰে তেতিয়া প্ৰায়ে উদ্বৃত্তৰ পাৰ্থক্য পৰিলক্ষিত হয় যাৰ কাৰণ হ'ল পৰিশোধ বা প্ৰাপ্তিৰ লেনদেনসমূহ লিপিবদ্ধ কৰোতে হোৱা সময়ৰ ব্যৱধান। সময়ৰ ব্যৱধানত অন্তৰ্ভুক্ত হোৱা উপাদানসমূহ হ'ল ঃ

*5.1.1 (a) চেক প্ৰদান কৰা হৈছে কিন্তু পৰিশোধৰ বাবে বেংকত দাখিল কৰা হোৱা নাই।*

যেতিয়া প্ৰতিষ্ঠানটোৱে যোগানকাৰী বা পাওনাদাৰসকলক চেক প্ৰদান কৰে তেতিয়া লগে লগে নগদ বহীৰ ক্ৰেডিট পক্ষত ভৰ্ত্তি কৰে। কিন্তু পাওনাদাৰে এই চেক পৰিশোধৰ বাবে লগে লগে বেংকত দাখিল নকৰিবও পাৰে। বেংকে প্ৰতিষ্ঠানটোৰ হিচাপ তেতিয়াহে ডেবিট কৰিব যেতিয়া প্ৰকৃততে চেকৰ টকা পৰিশোধ কৰে। গতিকে চেক প্ৰদান কৰা তাৰিখ আৰু পৰিশোধৰ বাবে দাখিল কৰা তাৰিখৰ মাজত সময়ৰ ব্যৱধান হয় যাৰ ফলত দুইখন বহীৰ উদ্বৃত্তৰ অমিল হয়।

*5.1.1 (b) বেংকত চেক জমা দিয়া হৈছে কিন্তু এতিয়ালৈকে সংগ্ৰহ কৰা হোৱা নাই।*

যেতিয়া প্ৰতিষ্ঠানটোৱে গ্ৰাহকৰ (দেনাদাৰৰ) পৰা চেক পায় তেতিয়া সেই চেক লগে লগে নগদ বহীৰ ডেবিট পক্ষত ভৰ্তি কৰে। ইয়াৰ ফলত নগদ বহীৰ মতে বেংক উদ্বৃত্ত বাঢ়ি যায়। কিন্তু প্ৰকৃততে যেতিয়া চেকৰ টকা সংগ্ৰহ কৰা হয় তেতিয়াহে বেংকে গ্ৰাহকজনৰ হিচাপ ক্ৰেডিট কৰিব। সাধাৰণতে দূৰণীবতীয়া আৰু বেলেগ বেলেগ শাখাৰ বেংকৰ চেকৰ ধন সংগ্ৰহৰ ক্ষেত্ৰত কিছু সময়ৰ প্ৰয়োজন হয়। ইয়াৰ ফলত নগদ বহীৰ মতে বেংক উদ্বৃত্ত আৰু বেংক পাছবুকৰ উদ্বৃত্তৰ মাজত পাৰ্থক্য দেখা যায়।

*5.1.1 (c) গ্ৰাহকৰ হৈ বেংকৰ দ্বাৰা প্ৰত্যক্ষ ডেবিট প্ৰবিষ্টি*

কেতিয়াবা বেংকে বিভিন্ন সেৱাৰ বাবে প্ৰতিষ্ঠানটোৱে নজনাকৈ ইয়াৰ হিচাপৰ পৰা টকা আদায় কৰে। প্ৰতিষ্ঠানটোৱে বেংক বিবৃতিৰ পৰা এই সম্পৰ্কে পিছতহে জানিব পাৰে। এনেকুৱা আদায়ৰ উদাহৰণ হ'ল — চেক সংগ্ৰহৰ ভৰণি, আনুষঙ্গিক ভৰণি, জমাতিৰিক্তৰ ওপৰত সদ ইত্যাদি। ইয়াৰ ফলত নগদ বহীৰ উদ্বৃত্ততকৈ পাছবুকৰ উদ্বৃত্ত কম হোৱা দেখা যায়।

*5.1.1 (d) বেংক হিচাপত প্রত্যক্ষভাৱে টকা জমা*

কেতিয়াবা কিছুমান দেনাদাৰে (গ্ৰাহকে) পোনপটীয়াভাৱে প্ৰতিষ্ঠানৰ বেংক হিচাপত টকা জমা কৰে। কিন্তু বেংক বিবৃতি নোপোৱালৈকে প্ৰতিষ্ঠানটোৱে কোন উৎসৰ পৰা এই জমা পালে তাৰ বিষয়ে জানিব নোৱাৰে। এই ক্ষেত্ৰত বেংকে প্ৰাপ্তিৰ বাবে প্ৰতিষ্ঠানটোৰ বেংক হিচাপত প্ৰবিষ্টি দিয়ে কিন্তু ইয়াৰ বাবে প্ৰতিষ্ঠানটোৰ নগদ বহীত কোনো প্ৰবিষ্টি দিয়া নহয়। ইয়াৰ ফলস্বৰূপে বেংক পাছবুকে দেখুওৱা উদ্বৃত্ত প্ৰতিষ্ঠানটোৰ নগদ বহীৰ উদ্বৃত্ততকৈ বেছি হয়।

*5.1.1 (e) বেংকে সংগ্ৰহ কৰা সুদ আৰু লাভ্যাংশ*

বেংকে যেতিয়া গ্ৰাহকৰ হকে সুদ আৰু লাভ্যাংশ সংগ্ৰহ কৰে তেতিয়া লগে লগে গ্ৰাহকৰ হিচাপ ক্ৰেডিট কৰে। কিন্তু প্ৰতিষ্ঠানটোৱে এই লেনদেন নগদ বহীত তেতিয়াহে লিপিবদ্ধ কৰিব যেতিয়া বেংক বিবৃতিৰ পৰা এই প্ৰবিষ্টিৰ কথা জানিব পাৰিব। তেতিয়ালৈকে নগদ বহীৰ উদ্বৃত্ত আৰু পাছবুকৰ উদ্বৃত্তৰ মাজত অমিল পৰিলক্ষিত হয়।

*5.1.1 (f) গ্ৰাহকৰ বাবে বেংকৰ দ্বাৰা প্ৰত্যক্ষভাৱে টকাৰ পৰিশোধ*

কেতিয়াবা বেংকৰ গ্ৰাহকসকলে তেওঁলোকৰ হৈ তৃতীয় পক্ষক নিৰ্দিষ্ট দিনত নিয়মীয়াকৈ ধন পৰিশোধৰ বাবে বেংকক স্থায়ী নিৰ্দেশ দিয়ে। উদাহৰণ স্বৰূপে টেলিফোন বিল, বীমাৰ কিস্তি, খাজনা, কৰ, ইত্যাদি বেংকে গ্ৰাহকৰ হকে প্ৰত্যক্ষভাৱে প্ৰদান কৰে আৰু হিচাপত ডেবিট পক্ষত ভৰ্তি কৰে। ইয়াৰ ফলত বেংক পাছবুকৰ উদ্বৃত্ত নগদ বহীৰ উদ্বৃত্ততকৈ কম হয়।

*5.1.1 (g) জমা কৰা চেক/বাট্টাকৃত বিল প্ৰত্যাখ্যান*

যদি বেংকত জমা দিয়া চেক প্ৰত্যাখ্যান হয় বা দেনাদাৰৰ পৰা গ্ৰহণ কৰা প্ৰাপ্য বিল বাট্টাকৃত কৰাৰ পিছত প্ৰদেয় তাৰিখত (Due date) প্ৰত্যাখ্যান হয় তেতিয়া বেংকে গ্ৰাহকৰ হিচাপ ডেবিট কৰে। যিহেতু এই খবৰ প্ৰতিষ্ঠানটোৱে লগে লগে নাপায় তাৰ বাবে প্ৰতিষ্ঠানটোৰ নগদ বহীত কোনো প্ৰবিষ্টি দিয়া নহয়। এই প্ৰবিষ্টিৰ কথা প্ৰতিষ্ঠানটোৱে বেংক বিবৃতিৰ পৰা জানিব পাৰে। ইয়াৰ ফলত পাছবুকৰ উদ্বৃত্ত নগদ বহীৰ উদ্বৃত্ততকৈ কম হয়।

### 5.1.2 ভুলৰ কাৰণে হোৱা ব্যৱধান *(Differences Caused by Errors)*

বেংকে পাছবুক লিখোতে কৰা ভুল বা ব্যৱসায়ৰ নগদ বহীৰ প্ৰবিষ্টি কৰোতে হোৱা ভুলৰ বাবে মাজে সময়ে দুখন বহীৰ উদ্বৃত্তৰ মাজত অমিল হোৱা দেখা যায়। ইয়াৰ কাৰণে নগদ বহীৰ মতে বেংক উদ্বৃত্ত আৰু বেংক বিবৃতিয়ে দেখুওৱা উদ্বৃত্তৰ মাজত পাৰ্থক্য দেখা যায়।

*5.1.2 (a) প্ৰতিষ্ঠানটোৱে লেনদেন লিপিবদ্ধ কৰোতে সংঘটিত হোৱা ভুল*

লেনদেনবোৰ ভুলকৈ প্ৰবিষ্টি কৰিলে বা লেনদেন হিচাপৰ পৰা বাদ পৰি গলে নগদ বহীৰ উদ্বৃত্ত আৰু পাছবুকৰ উদ্বৃত্তৰ মাজত অমিল হোৱা দেখা যায়। সাধাৰণতে চেক প্ৰদান, চেক বেংকত জমা, যোগফলৰ ভুল ইত্যাদি লেনদেনৰ ক্ষেত্ৰত এনে অমিল পৰিলক্ষিত হয়।

*5.1.2 (b) বেংকে লেনদেন লিপিবদ্ধ কৰোতে হোৱা ভুল*

লেনদেনবোৰ ভুলকৈ প্ৰবিষ্টি কৰিলে বা কোনো লেনদেন হিচাপৰ পৰা বাদ পৰি গলে নগদ বহীৰ উদ্বৃত্ত আৰু পাছবুকৰ উদ্বৃত্তৰ মাজত অমিল হোৱা দেখা যায়। সাধাৰণতে চেক জমা, যোগফলৰ ভুল ইত্যাদি লেনদেন সম্পৰ্কত বেংকে পাছবুক লিখোতে বা প্ৰবিষ্টি কৰোতে হোৱা ভুলৰ বাবে এনে অমিল পৰিলক্ষিত হয়।

**তুমি কি বুজিলা - 1**

1. তলত দিয়া লেনদেনবোৰ পঢ়া আৰু অমিলৰ কাৰণসমূহ সময়ৰ ব্যৱধান বা প্ৰতিষ্ঠানে / বেংকে কৰা ভুলৰ ভিত্তিত চিনাক্ত কৰা। শুদ্ধকাৰণৰ বাবে (✓) চিহ্ন দিয়া।

| ক্র. নং | লেনদেন | সময়ৰ ব্যৱধান | ব্যৱসায়/ বেংকে কৰা ভুল |
|---|---|---|---|
| 1. | গ্ৰাহকক চেক প্ৰদান কৰা হৈছে কিন্তু পৰিশোধৰ বাবে বেংকত দাখিল কৰা নাই। | | |
| 2. | 5000 টকাৰ চেক M/S XYZ লৈ প্ৰদান কৰা হৈছে কিন্তু নগদ বহীত 500 টকা বুলি লিপিবদ্ধ কৰা হৈছে। | | |
| 3. | বেংকৰ দ্বাৰা সুদ ক্ৰেডিট কৰা হৈছে কিন্তু নগদ বহীত এতিয়ালৈকে লিপিবদ্ধ কৰা হোৱা নাই। | | |
| 4. | বেংকত চেক জমা কৰা হৈছে কিন্তু এতিয়ালৈকে সংগ্ৰহ কৰা হোৱা নাই। | | |
| 5. | প্ৰতিষ্ঠানটোৰ চলিত হিচাপত বেংক ভৰণিৰ বাবে বেংকে ডেবিট প্ৰবিষ্টি লিপিবদ্ধ কৰিছে। | | |

II. **খালী ঠাই পূৰ কৰা**

(i) পাছ বুক এখন _____ ৰ প্ৰতিলিপি যাক বেংক খতিয়নত দেখা পোৱা যায়।

(ii) যেতিয়া বেংকৰ পৰা টকা আহৰণ কৰা হয়, বেংকে গ্ৰাহকৰ হিচাপ _____ কৰে।

(iii) স্বাভাৱিকতে, নগদ বহীয়ে ডেবিট উদ্বৃত্ত দেখুৱায়, পাছবুকে _____ উদ্বৃত্ত দেখুৱায়।

(iv) নগদ বহী অনুসৰি অনুকূল উদ্বৃত্তই নগদ বহীৰ বেংক স্তম্ভৰ_____উদ্বৃত্ত বুজায়।

(v) যদি নগদ বহীৰ উদ্বৃত্ত আৰম্ভণি হিচাপে লোৱা যায় তেতিয়া যিবোৰ প্ৰবিষ্টিয়ে নগদ বহীৰ উদ্বৃত্ত পাছবুকৰ উদ্বৃত্ততকৈ কম দেখুৱায় সেইবোৰ প্ৰবিষ্টি মিলকৰণৰ বাবে_____কৰা হয়।

(vi) যদি পাছবুকে অনুকূল উদ্বৃত্ত দেখুৱায় আৰু যদি বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰাৰ উদ্দেশ্যে আৰম্ভণি প্ৰবিষ্টি হিচাৱে লোৱা যায় তেতিয়া নগদ উদ্বৃত্ত উলিয়াবৰ বাবে চেক প্ৰদান কৰা হৈছে কিন্তু পৰিশোধৰ বাবে দাখিল কৰা হোৱা নাই প্ৰবিষ্টি_____কৰা হয়।

(vii) যেতিয়া চেক পৰিশোধৰ বাবে দাখিল কৰা নহয়, নগদ বহী অনুসৰি অনুকূল উদ্বৃত্ত পাছবুকৰ উদ্বৃত্ততকৈ_____হয়।

(viii) যেতিয়া এজন বেংকাৰে বিল সংগ্ৰহ কৰে আৰু গ্ৰাহকৰ হিচাপ ক্ৰেডিট কৰে পাছবুকৰ জমাতিৰিক্তই_____উদ্বৃত্ত দেখুৱায়।

(ix) যদি পাছবুক অনুসৰি জমাতিৰিক্ত আৰম্ভণি হিচাবে লোৱা যায়, বেংক মিলকৰণ বিবৃত্তি প্ৰস্তুত কৰাৰ সময়ত চেক প্ৰদান কৰা হৈছে কিন্তু দাখিল কৰা নাই প্ৰবিষ্টি ___ কৰা হয়।

(x) যেতিয়া পাছবুকৰ উদ্বৃত্ত আৰম্ভণি হিচাবে লোৱা যায় তেতিয়া যিবোৰ বিষয়ে নগদ বহীৰ উদ্বৃত্ত পাছবুকৰ উদ্বৃত্ততকৈ_____দেখুৱায় মিলকৰণৰ উদ্দেশ্যে সেইবোৰ বাদ দিব লাগে।

## 5.2 **বেংক মিলকৰণ বিবৃতিৰ প্ৰস্তুতি** (Preparation of Bank Reconciliation Statement)

নগদ বহী আৰু পাছ বুকৰ উদ্বৃত্তৰ অমিলৰ কাৰণসমূহ চিনাক্তকৰণৰ পিছত তলত দিয়া দুই ধৰণে মিলকৰণ কৰিব পাৰি ।

(a) নগদ বহীৰ উদ্বৃত্ত সংযোজন নকৰাকৈ বেংক মিলকৰণ বিবৃতিৰ প্ৰস্তুতি।

(b) নগদ বহীৰ উদ্বৃত্ত সংযোজন কৰাৰ পিছত বেংক মিলকৰণ বিবৃতিৰ প্ৰস্তুতি ।

এইটো মন কৰিবলগীয়া যে বাস্তৱক্ষেত্ৰত নগদ বহীৰ উদ্বৃত্ত সংযোজন কৰাৰ পিছত বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা হয়। ইয়াৰ বিষয়ে এই অধ্যায়ৰ শেষৰ ফালে তোমালোকে অধ্যয়ন কৰিবা।

### *5.2.1 নগদ বহীৰ উদ্বৃত্ত সংযোজন নকৰাকৈ বেংক মিলকৰণ বিবৃতিৰ প্ৰস্তুতি (Preparation of Bank Reconciliation Statement without adjusting Cash Book Balance)*

এই পদ্ধতি মতে বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰিবলৈ হ'লে নগদ বহীৰ উদ্বৃত্তৰ পৰা অথবা পাছবুকৰ উদ্বৃত্তৰ পৰা আৰম্ভ কৰা হয়। নগদ বহী অনুসৰি ডেবিট উদ্বৃত্ত থাকিলে বেংকত জমা থকা ধনৰ পৰিমাণ বুজায়। এই উদ্বৃত্ত পাছবুকৰ মতে ক্ৰেডিট উদ্বৃত্ত বুজায়। যেতিয়া ব্যৱসায় প্ৰতিষ্ঠানটোৰ আহৰণতকৈ জমাৰ পৰিমাণ বেছি হয় তেতিয়া এই উদ্বৃত্ত দেখা যায়। ই নগদ বহী অনুসৰি অনুকূল উদ্বৃত্ত অথবা পাছবুক অনুসৰি অনুকূল উদ্বৃত্ত সূচায়। আনহাতে নগদ বহীৰ মতে ক্ৰেডিট উদ্বৃত্তই জমাতিৰিক্ত সূচায়। আন অৰ্থত বেংকত জমা থকা টকাতকৈ অধিক টকা বেংকৰ পৰা আহৰণ কৰিলে জমাতিৰিক্ত বুজায়। ইয়াক নগদ বহীমতে প্ৰতিকূল উদ্বৃত্ত অথবা পাছবুক মতে প্ৰতিকূল উদ্বৃত্ত সূচায়।

বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰাৰ সময়ত আমি চাৰিটা বিভিন্ন পৰিস্থিতি পাওঁ। এইবোৰ হ'ল ঃ

1. যেতিয়া নগদ বহীৰ মতে ডেবিট উদ্বৃত্ত (অনুকূল উদ্বৃত্ত) দিয়া থাকে আৰু পাছবুক মতে উদ্বৃত্ত নিৰ্ণয় কৰিব লাগে।
2. যেতিয়া পাছবুক অনুসৰি ক্ৰেডিট উদ্বৃত্ত (অনুকূল উদ্বৃত্ত) দিয়া থাকে আৰু নগদ বহী অনুসৰি উদ্বৃত্ত নিৰ্ণয় কৰিব লাগে।
3. যেতিয়া নগদ বহী অনুসৰি ক্ৰেডিট উদ্বৃত্ত (প্ৰতিকূল উদ্বৃত্ত/জমাতিৰিক্ত উদ্বৃত্ত) দিয়া থাকে আৰু পাছবুক অনুসৰি উদ্বৃত্ত নিৰ্ণয় কৰিব লাগে।
4. যেতিয়া পাছবুক অনুসৰি ডেবিট উদ্বৃত্ত (প্ৰতিকূল উদ্বৃত্ত /জমাতিৰিক্ত উদ্বৃত্ত) দিয়া থাকে আৰু নগদ বহী অনুসৰি উদ্বৃত্ত নিৰ্ণয় কৰিব লাগে।

*5.2.1 (a) অনুকূল উদ্বৃত্তৰে বেংক মিলকৰণ বিবৃতিৰ প্ৰস্তুতি –*

বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰাৰ সময়ত তলত দিয়া পদক্ষেপসমূহ গ্ৰহণ কৰিব লাগে ঃ

(i) বিবৃতি প্ৰস্তুত কৰাৰ তাৰিখটো একেবাৰে ওপৰত শিৰোনামাত লিখিব লাগে।

(ii) বেংক মিলকৰণৰ বিবৃতি প্ৰস্তুত কৰোতে নগদ বহীৰ উদ্বৃত্ত বা পাছবুকৰ উদ্বৃত্ত লৈ আৰম্ভ কৰিব পাৰি।

(iii) বেংকত চেক জমা হৈছে কিন্তু এতিয়ালৈকে সংগ্ৰহ নোহোৱা চেকৰ টকাৰ পৰিমাণ বিয়োগ কৰিব লাগে।

(iv) সকলোবোৰ প্ৰদান কৰা চেক কিন্তু এতিয়ালৈকে পৰিশোধৰ বাবে বেংকত দাখিল কৰা হোৱা নাই, বেংক হিচাপত প্ৰত্যক্ষভাৱে জমা হোৱা টকাৰ পৰিমাণ যোগ কৰিব লাগে।

(v) ভৰণিৰ সকলোবোৰ বিষয় যেনে জমাতিৰিক্তৰ সুদ, স্থায়ী নিৰ্দেশক্ৰমে (standing instructions) বেংকৰ দ্বাৰা পৰিশোধ আৰু বেংক পাছ বুকত ডেবিট প্ৰবিষ্টি কিন্তু নগদ বহীত প্ৰবিষ্টি হোৱা নাই, প্ৰত্যাখ্যান হোৱা বিল আৰু চেক বিয়োগ কৰিব লাগে।

(vi) বেংক পাছবুকত ক্ৰেডিট কৰা প্ৰবিষ্টি যেনে জমাৰ ওপৰত সুদ, লাভ্যাংশ সংগ্ৰহ আৰু গ্ৰাহকে প্ৰত্যক্ষভাৱে বেংকত জমা কৰা লেনদেনবোৰ যোগ কৰিব লাগে।

(vii) ভুলৰ বাবে সংযোজন প্ৰবিষ্টি ভুল সংশোধনী, নীতি অনুসৰি কৰা হয়। ভুল সংশোধনীৰ বিষয়ে ষষ্ঠ অধ্যায়ত বিস্তৃতভাৱে আলোচনা কৰা হৈছে।

(viii) এতিয়া বিবৃতিয়ে দেখুওৱা প্ৰকৃত উদ্বৃত্ত পাছবুকৰ উদ্বৃত্তৰ লগত একে হোৱা উচিত।

এইটো মন কৰিবলগীয়া যে যদি আমি আৰম্ভণিতে পাছবুকৰ উদ্বৃত্ত সংযোজন কৰো তেতিয়া ওপৰত উল্লেখ কৰা পদ্ধতিৰ সম্পূৰ্ণ বিপৰীত ধৰণে কৰিব লাগিব। (উদাহৰণ 3 চোৱা)

তলত সমাধান কৰা উদাহৰণবোৰে তোমালোকক নগদ বহী আৰু পাছবুকৰ অনুকূল উদ্বৃত্তৰে প্ৰস্তুত কৰা বেংক মিলকৰণ বিবৃতি সম্পৰ্কে বুজাত সহায় কৰিব।

*উদাহৰণ ঃ 1*

মিঃ বিনোদৰ নিম্নলিখিত বিৱৰণৰ পৰা 2005 চনৰ 31 মাৰ্চত বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা।

1. নগদ বহী অনুসৰি বেংক উদ্বৃত্ত 50,000 টকা
2. 6,000 টকাৰ চেক প্ৰদান কৰা হৈছে কিন্তু পৰিশোধৰ বাবে বেংকত দাখিল কৰা হোৱা নাই।
3. বেংকে 8,000 টকা প্ৰত্যক্ষভাৱে লাভ্যাংশ সংগ্ৰহ কৰি বেংক হিচাপত ক্ৰেডিট কৰিছে কিন্তু নগদ বহীত লিখা হোৱা নাই।
4. 400 টকা বেংকৰ ভৰণি নগদ বহীত লিখা হোৱা নাই।
5. 6000 টকাৰ এখন চেক বেংকত জমা কৰা হৈছে কিন্তু সংগ্ৰহ কৰা হোৱা নাই।

*সমাধান ঃ*

**2005 চনৰ 31 মাৰ্চত মিঃ বিনোদৰ বেংক মিলকৰণ বিবৃতি।**

| | বিৱৰণ | (+) টকা | (-) টকা |
|---|---|---|---|
| 1. | নগদ বহী অনুসৰি উদ্বৃত্ত | 50,000 | |
| 2. | চেক প্ৰদান কৰা হৈছে কিন্তু পৰিশোধৰ বাবে দাখিল কৰা হোৱা নাই | 6,000 | |
| 3. | বেংকৰ দ্বাৰা লাভ্যাংশ সংগ্ৰহ | 8,000 | |
| 4. | চেক জমা কৰা হৈছে কিন্তু বেংকে ক্ৰেডিট কৰা নাই | | 6,000 |
| 5. | বেংকৰ দ্বাৰা বেংক ভৰণি ডেবিট কৰা হৈছে | | 400 |
| 6. | পাছবুক অনুসৰি উদ্বৃত্ত | | 57,600 |
| | | 64,000 | 64,000 |

*উদাহৰণ ঃ 2*

অনিল এণ্ড কোঃ ৰ নিম্নলিখিত বিৱৰণৰ পৰা 2005 চনৰ 31 আগষ্টত বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা।

1. নগদ বহী অনুসৰি উদ্বৃত্ত 54,000 টকা
2. বেংকৰ আনুষঙ্গিক ভৰণিৰ বাবে 100 টকাৰে অনিল এণ্ড কোঃৰ হিচাপ ডেবিট কৰা হৈছে কিন্তু নগদ বহীত লিপিবদ্ধ কৰা নাই।
3. 5,400 টকাৰ চেক বেংকত জমা কৰা হৈছে কিন্তু এতিয়ালৈকে সংগ্ৰহ কৰা হোৱা নাই।
4. অনিল এণ্ড কোঃ এ প্ৰদান কৰা 20,000 টকাৰ চেক পৰিশোধৰ বাবে দাখিল কৰা নাই।

*সমাধান ঃ*

*2005 চনৰ 31 আগষ্টত অনিল এণ্ড কোঃ ৰ বেংক মিলকৰণ বিবৃতি*

| | বিৱৰণ | (+) টকা | (-) টকা |
|---|---|---|---|
| 1. | নগদ বহী অনুসৰি উদ্বৃত্ত | 54,000 | |
| 2. | চেক প্ৰদান কৰা হৈছে কিন্তু পৰিশোধৰ বাবে দাখিল কৰা হোৱা নাই | 20,000 | |
| 3. | চেক জমা কৰা হৈছে কিন্তু বেংকে ক্ৰেডিট কৰা নাই | | 5,400 |
| 4. | বেংকৰ দ্বাৰা বেংক আনুষঙ্গিক ভৰণিৰ বাবে ডেবিট কৰা হৈছে | | 100 |
| 5. | পাছবুক অনুসৰি উদ্বৃত্ত | | 68,500 |
| | | 74,000 | 74,000 |

*উদাহৰণ ঃ 3*

2005 চনৰ 31 মে'ত মেচাৰ্চ বোস এণ্ড কোঃৰ বেংক পাছবুকৰ উদ্বৃত্ত আছিল 45,000 টকা।

1. 2005 চনৰ 31 মে'ৰ আগতে প্ৰদান কৰা 25,940 টকাৰ চেক নগদ কৰাৰ বাবে বেংকত দাখিল কৰা নাই।
2. 3,900 টকা আৰু 2,350 টকাৰ দুখন চেক 31 মে'ৰ আগতে বেংকত জমা কৰা হৈছিল কিন্তু বেংকে জুন মাহত ইয়াৰ বাবে ক্ৰেডিট প্ৰবিষ্টি কৰে।
3. 31.5.2005 তাৰিখত প্ৰত্যাখ্যান হোৱা 2,500 টকাৰ এখন চেকৰ বাবে বেংক পাছবুকত ডেবিট প্ৰবিষ্টি দিয়া হৈছিল।

2005 চনৰ 31 মে'ত এখন বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা।

*সমাধান ঃ*

*2005 চনৰ 31 মে'ত বোস এণ্ড কোঃ ৰ বেংক মিলকৰণ বিবৃতি*

| | বিৱৰণ | (+) টকা | (-) টকা |
|---|---|---|---|
| 1. | পাছবুক অনুসৰি উদ্বৃত্ত | 45,000 | |
| 2. | চেক জমা কৰা হৈছে কিন্তু বেংকৰ দ্বাৰা সংগ্ৰহ কৰা হোৱা নাই (3900 +2350 ) টকা | 6,250 | |
| 3. | প্ৰত্যাখ্যান হোৱা চেক মাত্ৰ পাছবুকত লিপিবদ্ধ কৰা হৈছে | 2,500 | |
| 4. | চেক প্ৰদান কৰা হৈছে কিন্তু পৰিশোধৰ বাবে দাখিল কৰা হোৱা নাই। | | 25,940 |
| 5. | নগদ বহী অনুসৰি উদ্বৃত্ত | | 27,810 |
| | | 53,750 | 53,750 |

### *5.2.1 (b) জমাতিৰিক্তৰে (Overdraft) বেংক মিলকৰণ বিবৃতি প্ৰস্তুতি*

এতিয়ালৈকে আমি ধনাত্মক উদ্বৃত্ত অৰ্থাৎ বেংকত জমা থকা টকাৰ উদ্বৃত্তৰে প্ৰস্তুত কৰা বেংক মিলকৰণ বিবৃতিৰ বিষয়ে আলোচনা কৰিলো। আনহাতে কেতিয়াবা ব্যৱসায়বিলাকৰ বেংকত

জমাতিৰিক্ত (Overdraft) হোৱা দেখা যায়। যেতিয়া ব্যৱসায়ৰ বেংক হিচাপ ঋণাত্মক (Negative) হয় আৰু ব্যৱসায়ে বেংকৰ পৰা ধাৰ লয় তেতিয়া জমাতিৰিক্ত হয়। নগদ বহীত ইয়াক ক্রেডিট উদ্বৃত্ত হিচাপে দেখুওৱা হয়। বেংক বিবৃতিৰ Dr. (বা কেতিয়াবা OD) এ জমাতিৰিক্ত বুজায় আৰু ইয়াক পাছবুক অনুসৰি ডেবিট উদ্বৃত্ত বুলি জনা যায়।

জমাতিৰিক্তক বেংক মিলকৰণ বিবৃতিত ঋণাত্মক পৰিমাণ হিচাবে গণ্য কৰা হয়। তলত সমাধান কৰা উদাহৰণবোৰে তোমালোকক জমাতিৰিক্তৰ সহায়ত প্ৰস্তুত কৰা বেংক মিলকৰণ বিবৃতি সম্পৰ্কে বুজাত সহায় কৰিব।

***উদাহৰণ ঃ 4***

2005 চনৰ 31 মাৰ্চত নগদ বহী অনুসৰি ৰাকেশৰ জমাতিৰিক্ত আছিল 8000 টকা। 2000 টকাৰ চেক তেওঁ বেংকত জমা কৰিছিল কিন্তু বেংকৰ দ্বাৰা সংগ্ৰহ কৰা হোৱা নাছিল। তেওঁ 800 টকাৰ চেক প্ৰদান কৰিছিল কিন্তু বেংকত দাখিল কৰা হোৱা নাছিল। সুদ আৰু বেংক ভৰণিৰ বাবে 60 টকা আৰু 100 টকাৰ ডেবিট প্ৰবিষ্টি বেংকে কৰিছিল। বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা।

***সমাধান ঃ***

2005 চনৰ 01 এপ্ৰিলত ৰাকেশৰ বেংক মিলকৰণ বিবৃতি।

| | বিৱৰণ | (+) টকা | (-) টকা |
|---|---|---|---|
| 1. | নগদ বহী অনুসৰি জমাতিৰিক্ত | | 8,000 |
| 2. | চেক জমা কৰা হৈছে কিন্তু বেংকৰ দ্বাৰা এতিয়ালৈকে সংগ্ৰহ কৰা হোৱা নাই | | 2,000 |
| 3. | বেংক ভৰণি আৰু সুত (60 + 100) | | 160 |
| 4. | চেক প্ৰদান কৰা হৈছে কিন্তু পৰিশোধৰ বাবে দাখিল কৰা হোৱা নাই। | 800 | |
| 5. | বেংক পাছবুক অনুসৰি উদ্বৃত্ত (জমাতিৰিক্ত) | 9,360 | |
| | | 10,160 | 10,160 |

*উদাহৰণ ঃ 5*

2005 চনৰ 31মাৰ্চ তাৰিখত আগৰৱাল ট্ৰেডাৰ্চৰ নগদ বহীৰ বেংক স্তম্ভই 1,18,100 টকাৰ (জমাতিৰিক্ত) ক্ৰেডিট উদ্বৃত্ত দেখুৱায়। নগদ বহী আৰু বেংক বিবৃতি পৰীক্ষা কৰি দেখা গ'ল যেঃ

1. চেক প্ৰাপ্তি আৰু নগদ বহীত লিপিবদ্ধ কৰা হৈছে কিন্তু সংগ্ৰহৰ বাবে বেংকলৈ পঠোৱা হোৱা নাই 12,400 টকা।
2. এজন গ্ৰাহকৰ পৰা ব্যৱসায়ৰ হৈ বেংকে প্ৰত্যক্ষভাৱে 27,300 টকা সংগ্ৰহ কৰিছে কিন্তু নগদ বহীত কোনো প্ৰবিষ্টি দিয়া হোৱা নাই।
3. 1,75,200 টকাৰ চেক প্ৰদান কৰা হৈছে কিন্তু পৰিশোধৰ বাবে দাখিল কৰা নাই। জমাতিৰিক্তৰ ওপৰত সুদ 8,800 টকা বেংকে ধাৰ্য্য কৰিছে যাৰ বাবে নগদ বহীত প্ৰবিষ্টি দিয়া হোৱা নাই। বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা।

*সমাধান ঃ*

2005 চনৰ 31মাৰ্চত আগৰৱাল ট্ৰেডাৰ্চৰ বেংক মিলকৰণ বিবৃতি

| | বিৱৰণ | (+) টকা | (-) টকা |
|---|---|---|---|
| 1. | নগদ বহী অনুসৰি জমাতিৰিক্ত | | 1,18,100 |
| 2. | চেক পোৱা হৈছে, নগদ বহীত লিপিবদ্ধ কৰা হৈছে কিন্তু সংগ্ৰহৰ বাবে বেংকলৈ পঠোৱা হোৱা নাই | | 12,400 |
| 3. | জমাতিৰিক্তৰ ওপৰত সুদ বেংকে ডেবিট কৰিছে কিন্তু নগদ বহীত প্ৰবিষ্টি দিয়া নাই। | | 8,800 |
| 4. | গ্ৰাহকৰ পৰা প্ৰত্যক্ষভাৱে প্ৰাপ্তি | 27,300 | |
| 5. | বেংক হিচাপত ক্ৰেডিট কৰা হৈছে কিন্তু নগদ বহীত ভৰ্তি হোৱা নাই। | 1,75,200 | |
| 6. | চেক প্ৰদান কৰা হৈছে কিন্তু পৰিশোধৰ বাবে দাখিল কৰা নাই। | | |
| 7. | পাছবুক অনুসৰি উদ্বৃত্ত (অনুকূল উদ্বৃত্ত) | | 63,200 |
| | | 2,02,500 | 2,02,500 |

*উদাহৰণ ঃ 6*

আশা এণ্ড কোঃ ৰ নিম্নলিখিত বিৱৰণৰ পৰা 2005 চনৰ 31 ডিচেম্বৰত বেংক মিলনকৰণ বিবৃতি প্ৰস্তুত কৰা।

| | টকা |
|---|---|
| পাছবুক অনুসৰি জমাতিৰিক্ত | 20,000 |
| জমাতিৰিক্তৰ ওপৰত সুদ | 20,00 |
| বেংকৰ দ্বাৰা বীমা কিস্তি প্ৰদান | 200 |
| চেক প্ৰদান কৰা হৈছে কিন্তু পৰিশোধৰ বাবে দাখিল কৰা নাই | 6,500 |
| চেক জমা কৰা হৈছে কিন্তু সংগ্ৰহ কৰা নাই | 6,000 |
| বেংকৰ দ্বাৰা ভুলক্ৰমে ডেবিট | 500 |

*সমাধানঃ*

2005 চনৰ 31 ডিচেম্বৰত আশা এণ্ড কোঃ ৰ বেংক মিলকৰণ বিবৃতি।

| | বিৱৰণ | (+) টকা | (-) টকা |
|---|---|---|---|
| 1. | পাছবু ক অনুসৰি জমাতিৰিক্ত | | 20,000 |
| 2. | জমাতিৰিক্তৰ ওপৰত সুদ | 2,000 | |
| 3. | বেংকৰ দ্বাৰা বীমা কিস্তি প্ৰদান | 200 | |
| 4. | চেক প্ৰদান কৰা হৈছে কিন্তু পৰিশোধৰ বাবে দাখিল কৰা নাই | | 6,500 |
| 5. | চেক জমা কৰা হৈছে কিন্তু সংগ্ৰহ কৰা নাই | 6,000 | |
| 6. | বেংকৰ দ্বাৰা ভুলক্ৰমে ডেবিট | 500 | |
| 7. | নগদ বহী অনুসৰি উদ্বৃত্ত (জমাতিৰিক্ত ) | 17,800 | |
| | | 26,500 | 26,500 |

***উদাহৰণ ঃ 7***

নিম্নলিখিত বিৱৰণৰ পৰা 2001 চনৰ 31 মাৰ্চত বেংক মিলনকৰণ বিবৃতি প্ৰস্তুত কৰা।

(a) নগদ বহী অনুসৰি ডেবিট উদ্বৃত্ত 10,000 টকা।

(b) 1,000 টকাৰ এখন চেক বেংকত জমা কৰা হৈছে কিন্তু নগদ বহীত লিপিবদ্ধ কৰা হোৱা নাই।

(c) 200 টকা জমা নগদ বহীত এনেদৰে লিপিবদ্ধ কৰা হৈছে যেন নগদ বহীত বেংক স্তম্ভ নাই।

(d) 250 টকাৰ প্ৰদান কৰা চেক এখন 205 টকা বুলি লিপিবদ্ধ কৰা হৈছে।

(e) পূৰ্ববৰ্ত্তী দিনৰ 1500 টকা ডেবিট উদ্বৃত্ত আৰম্ভণি উদ্বৃত্তলৈ ক্ৰেডিট উদ্বৃত্ত হিচাপে অনা হৈছে।

(f) নগদ বহীৰ পৰিশোধ পক্ষত 100 টকা কম ধৰা হৈছিল।

(g) বাট্টা দিয়া 112 টকা 121 টকা হিচাবে বেংক স্তম্ভত লিপিবদ্ধ কৰা হৈছে।

(h) এজন দেনাদাৰৰ পৰা পোৱা 500 টকাৰ এখন চেক নগদ বহীত লিপিবদ্ধ কৰা হৈছে কিন্তু সংগ্ৰহৰ বাবে বেংকত জমা দিয়া নাই।

(i) 300 টকাৰ প্ৰদান কৰা (outgoing) চেক এখন নগদ বহীত দুবাৰ লিপিবদ্ধ কৰা হৈছে।

*সমাধান ঃ*

2001 চনৰ 31 মাৰ্চত বেংক মিলকৰণ বিবৃতি।

| | বিৱৰণ | (+) টকা | (-) টকা |
|---|---|---|---|
| 1. | নগদ বহী অনুসৰি ডেবিট উদ্বৃত্ত | 10,000 | |
| 2. | সামৰণি উদ্বৃত্তৰ ভুল | 3,000 | |
| 3. | নগদ বহীত চেকৰ প্ৰবিষ্টি দুবাৰ লিপিবদ্ধ | 300 | |
| 4. | চেক জমা নগদ স্তম্ভত লিপিবদ্ধ হোৱা নাই | 200 | |
| 5. | চেক জমা কৰিছে কিন্তু লিপিবদ্ধ কৰা নাই | 1,000 | |
| 6. | পৰিশোধ পক্ষত কমকৈ ধৰা হৈছিল | | 100 |
| 7. | চেক প্ৰদান কৰা হৈছে কিন্তু লিখা নাই | | 250 |
| 8. | নগদ বাট্টা ভুলক্ৰমে বেংক স্তম্ভত লিপিবদ্ধ | | 121 |
| 9. | চেক লিপিবদ্ধ হৈছে কিন্তু জমা হোৱা নাই | | 500 |
| 10. | পাছবুক অনুসৰি ক্ৰেডিট উদ্বৃত্ত | | 13,529 |
| | | 14,500 | 14,500 |

*উদাহৰণ ঃ 8*

শ্ৰী কৃশানৰ নিম্নলিখিত বিৱৰণৰ পৰা 2005 চনৰ 31 মাৰ্চত বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা।

(a) পাছবুক অনুসৰি উদ্বৃত্ত 10,000 টকা।

(b) শ্ৰী কৃশানৰ হকে বেংকে 500 টকাৰ এখন চেক সংগ্ৰহ কৰিছে কিন্তু ভুলতে শ্ৰী কৃশানৰ হিচাপ ক্ৰেডিট কৰা হৈছে।

(c) 1589 টকা নগদ বহীত জমা বেংকে 1598 টকা বুলি লিপিবদ্ধ কৰিছে।

(d) পাছবুকৰ আহৰণ স্তম্ভত 100 টকা কমকৈ ধৰা হৈছিল।

(e) পাছবুকৰ 1500 টকা ক্ৰেডিট উদ্বৃত্ত ডেবিট উদ্বৃত্ত হিচাবে দেখুওৱাহৈছে।

(f) 350 টকাৰ পৰিশোধ কৰা এখন চেক পাছবুকত দুবাৰ লিপিবদ্ধ কৰা হৈছে।

(g) শ্ৰী কৃশানে জমা কৰা 1000 টকাৰ এখন চেকেৰে পাছবুকত ক্ৰেডিট উদ্বৃত্ত দেখুৱাইছে।

*সমাধান ঃ*

2005 চনৰ 31 মাৰ্চত শ্ৰীকৃশানৰ বেংক মিলকৰণ বিবৃতি।

| | বিৱৰণ | (+) টকা | (-) টকা |
|---|---|---|---|
| 1. | পাছবুক অনুসৰি ক্ৰেডিট উদ্বৃত্ত | 10,000 | |
| 2. | আন এজন গ্ৰাহকৰ হিচাপত চেক ভুল ক্ৰমে ক্ৰেডিট | 500 | |
| 3. | সামৰণি উদ্বৃত্তত ভুল | 3,000 | |
| 4. | চেক দুবাৰ লিপিবদ্ধ | 350 | |
| 5. | নগদ জমাৰ বাবে অধিক ক্ৰেডিট | | 9 |
| 6. | আহৰণ স্তম্ভৰ কমকৈ ধৰা হৈছিল | | 100 |
| 7. | ভুল ক্ৰেডিট | | 1000 |
| 8. | নগদ বহী অনুসৰি ডেবিট উদ্বৃত্ত | | 12,741 |
| | | 13,850 | 13,850 |

## তুমি কি বুজিলা - II

**শুদ্ধ উত্তৰ বাছি উলিওৱা ঃ**

1. বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰে
   (a) পাওনাদাৰসকলে (b) বেংকে
   (c) বেংকত হিচাপ থকা ব্যক্তিয়ে (d) দেনাদাৰসকলে
2. বেংক মিলকৰণ বিবৃতি উদ্বৃত্তৰ সৈতে প্ৰস্তুত কৰা হয়
   (a) পাছবুক (b) নগদ বহী
   (c) পাছবুক আৰু নগদ বহী উভয়ৰে (d) এইবোৰৰ কোনোটোৱেই নহয়
3. পাছবুক হ'ল এখন প্ৰতিলিপি
   (a) গ্ৰাহকৰ হিচাপৰ প্ৰতিলিপি (b) নগদ বহীৰ বেংক স্তম্ভৰ
   (c) নগদ বহীৰ নগদ স্তম্ভৰ (d) প্ৰাপ্তি আৰু পৰিশোধৰ প্ৰতিলিপি
4. প্ৰতিকূল বেংক উদ্বৃত্তই বুজায়
   (a) পাছবুকৰ ক্ৰেডিট উদ্বৃত্ত (b) নগদ বহীৰ ক্ৰেডিট উদ্বৃত্ত
   (c) নগদ বহীৰ ডেবিট উদ্বৃত্ত (d) এইবোৰৰ কোনোটোৱেই নহয়
5. অনুকূল বেংক উদ্বৃত্তই বুজায়
   (a) নগদ বহীৰ ক্ৰেডিট উদ্বৃত্ত (b) পাছবুকৰ ক্ৰেডিট উদ্বৃত্ত
   (c) নগদ বহীৰ ডেবিট উদ্বৃত্ত (d) b আৰু c উভয়ে
6. বেংক মিলকৰণ বিবৃতি প্ৰধানত প্ৰস্তুত কৰা হয়।
   (a) নগদ বহীৰ নগদ উদ্বৃত্ত মিলকৰণৰ বাবে
   (b) নগদ বহীয়ে দেখুওৱা বেংক উদ্বৃত্ত আৰু পাছবুকে দেখুওৱা বেংক উদ্বৃত্তৰ পাৰ্থক্যৰ মিলকৰণৰ বাবে
   (c) a আৰু b উভয়ে
   (d) এইবোৰৰ কোনোটোৱেই নহয়।

### 5.2.2 *সংযোজিত নগদ বহীৰ উদ্বৃত্তৰ সহায়ত বেংক মিলকৰণ বিবৃতিৰ প্ৰস্তুতি (Preparation of Bank Reconciliation Statement with Adjusted Cash Book)*

যেতিয়া আমি পাছ বুক আৰু নগদ বহীৰ উদ্বৃত্তৰ অমিলৰ বিভিন্ন কাৰণসমূহ বিশ্লেষণ কৰি চাও, আমি বিভিন্ন প্ৰবিষ্টি দেখা পাওঁ যিবোৰ মাত্ৰ পাছবুকতহে লিপিবদ্ধ কৰা হৈছে। প্ৰথমতে এই ধৰণৰ প্ৰবিষ্টিবোৰ নগদ বহীত সংযোজিত উদ্বৃত্ত (সংশোধিত উদ্বৃত্ত বুলিও জনা যায়) উলিয়াবৰ বাবে প্ৰবিষ্ট কৰা হয় আৰু তাৰ পিছত বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা হয়। এই পদ্ধতিয়ে অমিলৰ বাবে দায়ী প্ৰবিষ্টিৰ সংখ্যা কমাব আৰু স্থিতি পত্ৰত (Balance Sheet) বেংকত জমা থকা শুদ্ধ উদ্বৃত্তৰ পৰিমাণ দেখুৱাব। প্ৰকৃততে এইটো অনুশীলনৰ (Practice) সময়ত হোৱা সময়ৰ ব্যৱধান জনিত কাৰণৰ অমিল বুলি বিবেচনা কৰা হয়। এইবোৰ হ'ল, (i) চেক প্ৰদান কৰা হৈছে কিন্তু এতিয়ালৈকে পৰিশোধৰ বাবে দাখিল কৰা হোৱা নাই (ii) চেক জমা কৰা হৈছে কিন্তু এতিয়ালৈকে সংগ্ৰহ হোৱা নাই (iii) পাছবুকত সংঘটিত হোৱা ভুলৰ বাবে। পদক্ষেপ অনুযায়ী বেংক মিলকৰণ বিবৃতিৰ প্ৰস্তুতি সম্পৰ্কে আকাৰ 5.4 ত দেখুওৱা হ'ল।

***উদাহৰণ ঃ 9***

2004 চনৰ ডিচেম্বৰ মাহৰ নগদ বহী এখনৰ সাৰাংশ তলত দিয়া ধৰণৰ।

নগদ বহী (বেংক স্তম্ভ)

| | Rs. | | Rs. |
|---|---|---|---|
| প্ৰাপ্তি | 13,221 | আৰম্ভণি উদ্বৃত্ত | 6849 |
| সামৰণি উদ্বৃত্ত | 4,986 | পৰিশোধ | 11,358 |
| | 18,207 | | 18,207 |

সকলোবোৰ প্ৰাপ্তি বেংকত জমা দিয়া হৈছে আৰু পৰিশোধ চেকৰ সহায়ত কৰা হয়। অনুসন্ধান কৰোতে তলত দিয়া বিষয়বোৰ নিৰীক্ষণ কৰা যায়।

1. 1224 টকাৰ বেংক ভৰণি বেংক বিবৃতিত ভৰ্তি কৰা হৈছে কিন্তু নগদ বহীত লিপিবদ্ধ কৰা নাই।
2. 2403 টকাৰ চেক প্ৰদান কৰা হৈছে কিন্তু পৰিশোধৰ বাবে বেংকত দাখিল কৰা নাই।
3. মুঠ 6853 টকাৰ চেক পোৱা গৈছে আৰু নগদ বহীত লিপিবদ্ধ কৰি বেংকত জমা কৰা হৈছে কিন্তু 2005 চনৰ জানুৱাৰী মাহলৈকে বেংকৰ দ্বাৰা ক্ৰেডিট কৰা হোৱা নাই।
4. 198 টকাৰ এখন চেক নগদ বহীত পৰিশোধৰ পৰিৱৰ্তে প্ৰাপ্তি হিচাবে লিপিবদ্ধ কৰা

হৈছে।

5. 225 টকাৰ এখন চেক বেংকৰ দ্বাৰা ভুলতে ডেবিট কৰা হৈছে।
6. 720 টকাৰ বেংকত জমা দিয়া এখন চেক "পৰ্য্যাপ্ত পুঁজি নাই" বুলি বেংকে ঘুৰাই পঠিয়াইছে, ইয়াৰ বাবে নগদ বহীত সংযোজন প্ৰবিষ্ঠি দিয়া হোৱা নাই।
7. পাবলগীয়া সকলোবোৰ লাভ্যাংশৰ বাবে বেংক হিচাপ প্ৰত্যক্ষভাৱে ক্ৰেডিট কৰা হৈছে। ডিচেম্বৰ মাহত 558 টকা বেংকৰ দ্বাৰা ক্ৰেডিট কৰা হৈছে, ইয়াৰ বাবে নগদ বহীত কোনো প্ৰবিষ্ঠি দিয়া হোৱা নাই।
8. 54 টকাৰ এখন চেক নগদ বহীত অশুদ্ধকৈ 594 টকা বুলি লিপিবদ্ধ কৰা হৈছে।
9. আৰম্ভণি উদ্বৃত্ত 639 টকা হব লাগে।
10. 2004 চনৰ 31 ডিচেম্বৰত বেংক বিবৃতিয়ে 10,458 টকাৰ জমাতিৰিক্ত দেখুৱায়।
    (a) তুমি এখন সংশোধিত নগদ বহী প্ৰস্তুত কৰা আৰু
    (b) 2004 চনৰ 31 ডিচেম্বৰত এখন বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা।

***সমাধান ঃ***

### সংশোধিত নগদ বহী

ডেবিট (বেংক স্তম্ভ) ক্ৰেডিট

| তাৰিখ | বিৱৰণ | খ.পৃ. | টকা | তাৰিখ | বিৱৰণ | খ.পৃ. | টকা |
|---|---|---|---|---|---|---|---|
| | লাভ্যাংশ প্ৰাপ্তি | | 558 | | আৰম্ভণি উদ্বৃত্তৰ দ্বাৰা | | 4986 |
| | 54 টকাৰ চেক 594 টকা হিচাবে ভৰ্তি কৰাৰ বাবে সংযোজন | | 540 | | বেংক ভৰণি | | 1224 |
| | আৰম্ভণি উদ্বৃত্তৰ সংযোজন | | 450 | | চেক প্ৰাপ্তি হিচাবে ভৰ্তিৰ বাবে সংযোজন | | 396 |
| | সামৰণি উদ্বৃত্তলৈ | | 5,778 | | চেক ঘুৰাই পঠোৱাৰ বাবে সংযোজন | | 720 |
| | | | 7,326 | | | | 7,326 |
| | | | | | আৰম্ভণি উদ্বৃত্তৰ দ্বাৰা | | 5,778 |

2004 চনৰ 31 ডিচেম্বৰত বেংক মিলকৰণ বিবৃতি।

| | বিৱৰণ | টকা | টকা |
|---|---|---|---|
| | বেংক বিবৃতি অনুসৰি জমাতিৰিক্ত | | 10,458 |
| যোগ ঃ | চেক প্ৰদান কৰা হৈছে কিন্তু এতিয়ালৈকে পৰিশোধৰ বাবে দাখিল কৰা নাই। | | 2,403 |
| | | | 12,861 |
| বাদ ঃ | চেক জমা কৰা হৈছে কিন্তু ক্ৰেডিট কৰা হোৱা নাই। | 6,858 | |
| | চেক ভুলতে ডেবিট কৰা হৈছে। | 225 | 7,088 |
| | | | 5,778 |

***উদাহৰণ ঃ 10***

2004 চনৰ 31 ডিচেম্বৰত নগদ বহী অনুসৰি স্মিথ লিমিটেডৰ বেংক জমাতিৰিক্তৰ পৰিমাণ আছিল 18000 টকা। তলত দিয়া তথ্যৰ পৰা, সংযোজিত নগদ উদ্বৃত্ত নিৰ্ণয় কৰা আৰু বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা।

| | | টকা |
|---|---|---|
| (i) | দাখিল নকৰা চেক | 6000 |
| (ii) | বেংকে জমা নকৰা চেক | 3400 |
| (iii) | বেংকৰ সুদ মাত্ৰ পাছ বুকত ডেবিট কৰা হৈছে | 1000 |
| (iv) | মাত্ৰ পাছবুকত বিল সংগ্ৰহ আৰু ক্ৰেডিট কৰা হৈছে | 1600 |
| (v) | অৰুণ ট্ৰেডাৰ্চৰ চেক প্ৰত্যাখ্যান হৈছে | 1000 |
| (vi) | কাপুৰ এণ্ড কোঃ ক চেক প্ৰদান কৰা হৈছে, কিন্তু এতিয়ালৈ নগদ বহীত ভৰ্তি হোৱা নাই | 600 |

**সমাধান ঃ**

## সংশোধিত নগদ বহী

ডেবিট (বেংক স্তম্ভ) ক্রেডিট

| তাৰিখ | বিৱৰণ | খ.পৃ. | টকা | তাৰিখ | বিৱৰণ | খ.পৃ. | টকা |
|---|---|---|---|---|---|---|---|
| | নগদ বহী অনুসৰি | | 1,600 | | আৰম্ভণি উদ্বৃত্তৰ দ্বাৰা | | 18,000 |
| | সংগ্ৰহ কৰা বিল | | | | সুদ | | 1,000 |
| | সামৰণি উদ্বৃত্তলৈ | | 19,000 | | প্ৰত্যাখ্যন হোৱা চেক (অৰুণ ট্ৰেডাৰ্চ) | | 1,000 |
| | | | | | কাপুৰ এণ্ড কো. (চেক) | | 600 |
| | | | 20600 | | | | 20600 |
| | | | | | আৰম্ভণি উদ্বৃত্তৰ দ্বাৰা | | 19,000 |

## 2004 চনৰ 31 ডিচেম্বৰত বেংক মিলকৰণ বিবৃতি।

| | | | |
|---|---|---|---|
| | নগদ বহী অনুসৰি বেংকত জমাতিৰিক্ত | | 19,000 |
| যোগ ঃ | বেংকে জমা নকৰা চেক | | 3,400 |
| | | | 22,400 |
| বাদ ঃ | দাখিল নকৰা চেক | | 6,000 |
| | পাছবুক অনুসৰি বেংকত জমাতিৰিক্ত | | 16,400 |

**ৰাহুবংশ হোলচেল লিমিটেড**
**2005 চনৰ 31 অক্টোবৰত বেংক মিলকৰণ বিবৃতি**
**(অনুশীলন অনুযায়ী)**

| | টকা | |
|---|---|---|
| নগদ বহী অনুসৰি বেংক উদ্বৃত্ত ⇐ | | বেংক বিবৃতিৰ পৰা লোৱা বৰ্তমান অৱস্থাৰ নগদ বহীৰ উদ্বৃত্তৰ সৈতে আৰম্ভ কৰা। |
| যোগ ঃ 2005 চনৰ 31 অক্টোবৰ পৰ্যন্ত দাখিল নকৰা চেকবোৰ ⇐ | | বেংক বিবৃতিত নথকা কিন্তু প্ৰদান কৰা চেকবোৰ যোগ কৰা |
| (i) সম্প্ৰদা ট্ৰেডিং কোম্পানী | | |
| (ii) কনিস্ক অংশীদাৰী প্ৰতিষ্ঠান | | |
| (iii) পাৰ্শ্ব লিমিটেড | | |
| বাদ ঃ 2005 চনৰ 31 অক্টোবৰ পৰ্যন্ত জমা কৰা চেকবোৰ কিন্তু বেংকে সংগ্ৰহ কৰা নাই। ⇐ | | বেংক বিবৃতিত নথকা কিন্তু পৰিশোধ কৰা টকাৰ পৰিমাণ বাদ দিয়া। |
| বেংক বিবৃতি অনুসৰি বেংকত উদ্বৃত্ত ⇐ | | বেংক বিবৃতিত থকা চূড়ান্ত উদ্বৃত্তৰ সৈতে ইয়াৰ মিল হোৱা উচিত |

**আকাৰ 5.4** *পদক্ষেপ অনুসৰি বেংক মিলকৰণ বিবৃতিৰ প্ৰস্তুতি*

**এটা সৰু পৰিযোজনা — বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰাৰ কাৰ্য্য প্ৰণালী।**

কমলেশে একুৰা প্ৰডাক্টচ কোম্পানীত এজন কেচিয়াৰ হিচাবে কাম কৰে। প্ৰতিষ্ঠানটোৰ চোৱা চিতা কৰাটো তেওঁৰ দায়িত্ব। কমলেশে প্ৰবিষ্টি আৰু উদ্বৃত্ত কৰা প্ৰতিষ্ঠানটোৰ 2005 চনৰ জুলাই মাহৰ নগদ বহী প্ৰদৰ্শন 1 ত দেখুওৱা হ'ল। বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰাত কমলেশক সহায় কৰা।

*টোকা ঃ নগদ স্তম্ভ বাদ দিয়া হৈছে। 2005 চনৰ 31 জুলাই তাৰিখে প্ৰতিষ্ঠানটোৰ ব্যাখ্যা কৰা বেংক বিবৃতি প্ৰদৰ্শন 2 ত দেখুওৱা হ'ল। দুইখনৰ মাজত গাণিতিক পাৰ্থক্য হ'ল 261.30 টকা। (বেংক বিবৃতি 903.00 টকা — নগদ বহী 641.70 টকা)*

### একুৱা প্ৰডাক্টচ - নগদ বহী

| তাৰিখ | বিৱৰণ | বেংক টকা | তাৰিখ | বিৱৰণ | বেংক টকা |
|---|---|---|---|---|---|
| 2005 | | | 2005 | | |
| জুলাহ 01 | আৰম্ভণি উদ্বৃত্ত | 756.20✓ | জুলাই 02 | আদিত্য 004450 | 50.00✓ |
| জুলাই 03 | কনিস্ক এণ্টাৰ প্ৰাইজেচ | 220.00✓ | জুলাই 02 | বাৰ্মা এণ্ড কো. 004451 | 130.00✓ |
| জুলাহ 15 | ৰামপাল এণ্ড চনচ্ | 330.00✓ | জুলাই 02 | গায়ত্ৰী এণ্ড কো. 004452 | 10.00✓ |
| জুলাহ 31 | সাৰিন ব্ৰাদাৰ্চ | 63.00 | জুলাই 08 | মেহতা লি. 004453 | 27.50 |
| | | | জুলাই 14 | সুভাষ এণ্ড কো. | 89.00✓ |
| | | | জুলাই 14 | কৌশিক 004454 | 49.00✓ |
| | | | জুলাই 15 | ক্ৰাইওস্ক লি. 004455 | 250.00✓ |
| | | | জুলাই 26 | বীমা কিস্তি (এচ.ও) | 122.00✓ |
| | | | | সামৰণি উদ্বৃত্ত | 641.70 |
| | | 1369.20 | জুলাই 31 | | 1369.20 |
| জুলাই 31 | আৰম্ভণি উদ্বৃত্ত | 641.70 | | | |

প্ৰদৰ্শন - 1

## বেংক বিবৃতি

| | |
|---|---|
| হিচাপ | একুৰা প্ৰডাক্টচ কোঃ |
| হিচাপ নং | 79014456 |
| খতিয়ন নং | 17 |
| তাৰিখ | জুলাই 31,2005 |

| তাৰিখ | বিৱৰণ | ডেবিট টকা | ক্ৰেডিট টকা | উদ্বৃত্ত টকা |
|---|---|---|---|---|
| 2005 | | | | |
| জুলাই 01 | উদ্বৃত্ত | | | 756.20 ক্ৰে.✓ |
| জুলাই 04 | চেক | | 220.00 ✓ | 976.20 ক্ৰে. |
| জুলাই 09 | 004450 | 50.00 ✓ | | 926.20 ক্ৰে. |
| জুলাই 14 | 004452 | 10.00 ✓ | | 916.20 ক্ৰে. |
| জুলাই 16 | সুভাষ এণ্ড কো. (ডি. ডি.) | 89.00 ✓ | | 827.20 ক্ৰে. |
| জুলাই 19 | চেক | | 330.00 ✓ | 1157.20 ক্ৰে. |
| জুলাই 24 | 004455 | 250.00 ✓ | | 907.20 ক্ৰে. |
| জুলাই 26 | বীমা কিস্তি | 122.00 ✓ | | 785.20 ক্ৰে. |
| জুলাই 30 | 004454 | 49.00 ✓ | | 736.20 ক্ৰে. |
| জুলাই 31 | বেংক ভৰণি | 12.95 | | 723.25 ক্ৰে. |
| জুলাই 31 | ৰুচিতা লিমিটেড | | 179.75 | 903.00 ক্ৰে. |

প্ৰদৰ্শন - 2

***সমাধান ঃ***

*পদক্ষেপ 1 ঃ নগদ বহী আৰু বেংক বিবৃতি উভয়ৰে প্ৰবিষ্টবোৰ টিক (✓)চিন দিয়া (প্ৰদৰ্শন 2 ত দেখুওৱাৰ দৰে)*

*পদক্ষেপ 2 ঃ বেংক বিবৃতিৰ পৰা নগদ বহী বৰ্তমান অৱস্থালৈ প্ৰবিষ্টি লিপিবদ্ধ কৰা। বেংক বিবৃতিত* টিক (✓) চিন নিদিয়া প্ৰবিষ্টিবোৰে সেইবোৰ প্ৰবিষ্টিক বুজায় যিবোৰ একুৰা প্ৰডাক্টচ কোঃৰ নগদ বহীত ভৰ্তি কৰা হোৱা নাই। এইবোৰ হ'ল ঃ

(i) জুলাই 31 তাৰিখে ৰুচিতা লিমিটেডৰ পৰা পোৱা 179.75 টকা।

(ii) জুলাই 31 তাৰিখে বেংক ভৰণিৰ বাবদ বেংকৰ দ্বাৰা 12.95 টকা ডেবিট কৰা হৈছে। নগদ বহী বৰ্তমান অৱস্থা৲ৈ অনাৰ বাবে এই প্ৰবিষ্টিবোৰ লিপিবদ্ধ কৰিব লাগে। (প্ৰদৰ্শন-3চোৱা নতুন প্ৰবিষ্টিবোৰ গাঢ় ধৰণে দেখুওৱা হৈছে।)

**একুৱা প্ৰডাক্টচ-নগদ বহী (অংশ)**

| তাৰিখ | বিৱৰণ | বেংক টকা | তাৰিখ | বিৱৰণ | বেংক টকা |
|---|---|---|---|---|---|
| 2005 | | | 2005 | | |
| জুলাই 31 | আৰম্ভণি উদ্বৃত্ত | 641.70 | **জুলাই 31** | **বেংক ভৰণি** | **12.95** |
| **জুলাই 31** | **ৰুচিতা লিমিটেড** | **179.75** | | | |
| | | | জুলাই 31 | সামৰণি উদ্বৃত্ত | 808.50 |
| | | 821.45 | | | 821.45 |
| আগষ্ট 01 | আৰম্ভণি উদ্বৃত্ত | 808.50 | | | |

প্ৰদৰ্শন - 3

*পদক্ষেপ 3 ঃ বৰ্তমান অৱস্থাৰ উদ্বৃত্ত পাবৰ বাবে নগদ বহীৰ বেংক স্তম্ভ উদ্বৃত্ত কৰা।*

প্ৰদৰ্শন 3 ত দেখুওৱা মতে বেংক স্তম্ভৰ উদ্বৃত্ত হ'ল 808.50 টকা। কিন্তু তেতিয়া 94.50 টকাৰ (903.00 টকা - 808.50 টকা) পাৰ্থক্য দেখা পোৱা যায়।

পদক্ষেপ 4 ঃ নগদ বহীত টিক (✓) চিন নিদিয়া অৱশিষ্ট প্ৰবিষ্টিবোৰ চিনাক্ত কৰা। এইবোৰ হ'ল

| | টকা |
|---|---|
| 1. চাৰিন ব্ৰাদাৰ্চৰ পৰা জুলাইৰ 31 তাৰিখে (প্ৰাপ্তি) | 63.00 |
| 2. বাৰ্মা এণ্ড কোঃ ক জুলাইৰ 2 তাৰিখে পৰিশোধ (চেক নং. 004457) | 130.00 |
| 3. মেহটা লিমিটেডক জুলাইৰ 8 তাৰিখে পৰিশোধ (চেক নং. 004453) | 27.50 |

ওপৰত উল্লেখ কৰা প্ৰবিষ্টি তিনিটা পৰৱৰ্তী মাহৰ বেংক বিবৃতিত পোৱা যাব যিহেতু এইবোৰ সময়ৰ ব্যৱধানৰ বাবে হোৱা পাৰ্থক্য. এইবোৰ প্ৰবিষ্টি বেংক মিলকৰণ বিবৃতিত লিপিবদ্ধ কৰা হয়।

**একুৰা প্ৰডাক্টচ কো.**

**2005 চনৰ 31 জুলাই তাৰিখে বেংক মিলকৰণ বিবৃতি।**

| | | | |
|---|---|---|---|
| | | | টকা |
| | নগদ বহী অনুসৰি বেংক উদ্বৃত্ত | | 808.50 |
| যোগ ঃ | দাখিল নকৰা চেক | | |
| | বাৰ্মা এণ্ড কো. | 130.00 | |
| | মেহতা এণ্ড কো. | 27.50 | 157.50 |
| | | | 966.00 |
| বাদ ঃ | অপ্ৰদত্ত লজমেণ্ট | | 63.00 |
| | বেংক বিবৃতি অনুসৰি বেংক উদ্বৃত্ত | | 903.00 |

**তোমালোকে নিজে কৰা**

এটা সৰু প্ৰিণ্টিং কোম্পানী, কামৰাজ লিমিটেডৰ তুমি এজন প্ৰশিক্ষণ প্ৰাপ্ত হিচাপৰক্ষক। তোমাৰ কাম হ'ল কোম্পানীৰ নগদ বহীত লেনদেন লিপিবদ্ধ কৰা, বেংক বিবৃতিৰ লগত প্ৰবিষ্টিবোৰ মিলাই চোৱা, নগদ বহীৰ প্ৰবিষ্টিবোৰ বৰ্তমান অৱস্থালৈ লিপিবদ্ধ কৰা আৰু প্ৰয়োজন অনুযায়ী সংশোধন কৰা। মাহৰ শেষত তোমাক এখন বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰিব দিয়া হৈছে।

কোম্পানীৰ নগদ বহী (মাত্ৰ বেংক স্তম্ভ দেখুওৱা) আৰু বেংক বিবৃতি তলত দেখুওৱা ধৰণৰ। তুমি কৰিব লাগে ঃ

- নগদ বহী বেংক বিবৃতিৰ সৈতে তুলনা
- নগদ বহী বৰ্তমান অৱস্থালৈকে প্ৰবিষ্টি লিপিবদ্ধ কৰা।
- নগদ বহী অনুসৰি সংযোজিত বেংক উদ্বৃত্ত নিৰ্ণয় কৰা।

কামৰাজ লিমিটেড - নগদ বহী

| তাৰিখ | বিৱৰণ | বেংক টকা | তাৰিখ | বিৱৰণ | বেংক টকা |
|---|---|---|---|---|---|
| 2005 | | | 2005 | | |
| আগষ্ট 01 | আৰম্ভণি উদ্বৃত্ত | 1,946 | আগষ্ট 02 | এক্স ওৱাই জেদ ইঞ্চিওৰেণচ | 75 |
| আগষ্ট 01 | কাপুৰ এণ্ড কো. | 249 | আগষ্ট 02 | নন্দ এণ্ড কো. 200100 | 206 |
| আগষ্ট 05 | ভি এচ ৰাও | 188 | আগষ্ট 04 | ডেইলি লি. 200101 | 315 |
| আগষ্ট 08 | এচ কে আলোক | 150 | আগষ্ট 07 | গেৰেজ ভৰণি 200102 | 211 |
| আগষ্ট 10 | ই নোৰিচ লি. | 440 | আগষ্ট 09 | এম ডি ফাইনেন্স | 120 |
| আগষ্ট 18 | চামাইবা লি. | 65 | আগষ্ট 13 | হিল ব্ৰাদাৰ্চ 200103 | 22 |
| আগষ্ট 27 | হৰ্ষ বৰদন | 520 | আগষ্ট 20 | আকসি লি. 200104 | 137 |
| আগষ্ট 30 | আই বি পি পাৰ্টনাৰ্চ | 82 | আগষ্ট 27 | কলাকৃতি লি. | 270 |
| | | | আগষ্ট 31 | সামৰণি উদ্বৃত্ত | 2,284 |
| | | 3,640 | | | 3,640 |
| চেপ্তেম্বৰ 01 | আৰম্ভণি উদ্বৃত্ত | 2,284 | | | |

প্ৰদৰ্শন - 1

| | |
|---|---|
| এ বি চি | বিবৃতি |
| **12, ম'ল ৰোড, গুৰগাঁও** | হিচাপ নং |
| **হিচাপ** কামৰাজ লিমিটেড | |
| 78300582 | |
| তাৰিখ 31 আগষ্ট, 2004 | |

| তাৰিখ | বিৱৰণ | ডেবিট | ক্ৰেডিট | উদ্বৃত্ত টকা |
|---|---|---|---|---|
| 2005 | | | | |
| আগষ্ট 01 | উদ্বৃত্ত | | | 1946 ক্ৰে. |
| আগষ্ট 02 | চেক | | 249 | 2195 ক্ৰে. |
| আগষ্ট 04 | XYZ ইঞ্চিওৰেন্স (ডি.ডি.) | 75 | | 2120 ক্ৰে. |
| আগষ্ট 04 | 200101 | 315 | | 1805 ক্ৰে. |
| আগষ্ট 05 | ভি. এচ ৰাও | | 188 | 1993 ক্ৰে. |
| আগষ্ট 08 | চেক | | 150 | 2143 ক্ৰে. |
| আগষ্ট 09 | 200102 | 211 | | 1932 ক্ৰে. |
| আগষ্ট 12 | চেক | | 440 | 2372 ক্ৰে. |
| আগষ্ট 12 | এন. পি. ফাইনেন্স (এছ. ও.) | 120 | | 2252 ক্ৰে. |
| আগষ্ট 20 | চেক | | 65 | 2317 ক্ৰে. |
| আগষ্ট 27 | কলাকৃতি লিমিটেড | 270 | | 2047 ক্ৰে. |
| আগষ্ট 30 | টোনি ব্ৰাদাৰ্চ | | 92 | 2139 ক্ৰে. |
| আগষ্ট 31 | বেংক ভৰণি | 55 | | 2084 ক্ৰে. |
| আগষ্ট 31 | সূৰ্য্য ফাইনেন্স (এচ ও) | 1,000 | | 1084 ক্ৰে. |

প্ৰদৰ্শন - 2

ব্যৱসায়ৰ নাম ..............................................................................................

নগদ বহী অনুসৰি বেংকত উদ্বৃত্ত ......................................................................

যোগ ঃ দাখিল নকৰা চেকবোৰ ..........................................................................

বাদ ঃ অপ্ৰদত্ত লজমেণ্ট যিবোৰ এতিয়ালৈকে

বেংক বিবৃতিত ভৰ্তি কৰা হোৱা নাই ...............................................................

বেংক বিবৃতি অনুসৰি বেংকত উদ্বৃত্ত .................................................................

টোকা ঃ *পদক্ষেপ অনুযায়ী কাৰ্য (Working) স্পষ্টকৈ দেখুওৱা।*

**তুমি কি বুজিলা - III**

*তলত দিয়া বিবৃতিবোৰ শুদ্ধ নে অশুদ্ধ লিখা।*

1. পাছ বুক হ'ল বেংকে ৰখা গ্ৰাহকৰ হিচাপৰ বিবৃতি
2. বিভিন্ন কাৰণত নগদ বহী আৰু পাছবুক অনুসৰি হোৱা বেংক উদ্বৃত্তৰ পাৰ্থক্যৰ মিলকৰণৰ বাবে সময়ে সময়ে ব্যৱসায় প্ৰতিষ্ঠানে বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰে।
3. চেক প্ৰদান কৰা হৈছে কিন্তু পৰিশোধৰ বাবে দাখিল কৰা হোৱা নাই, পাছবুক অনুসৰি উদ্বৃত্ত কমকৈ দেখুৱাব।
4. চেক জমা কৰা হৈছে কিন্তু সংগ্ৰহ হোৱা নাই, ফলস্বৰূপে নগদ বহীৰ উদ্বৃত্ত বঢ়াই দেখুৱাব যেতিয়া পাছবুকৰ লগত তুলনা কৰা হয়।
5. পাছবুক অনুসৰি জমাতিৰিক্ত নগদ বহী অনুসৰি জমাতিৰিক্ততকৈ কম হয় যেতিয়া চেক জমা কৰা হয় কিন্তু বেংকে সংগ্ৰহ নকৰে।
6. নগদ বহী অনুসৰি বেংক হিচাপৰ ডেবিট উদ্বৃত্ত বেংকৰ বহীত ব্যৱসায়ৰ হিচাপৰ ক্ৰেডিট উদ্বৃত্তৰ সমান হব লাগে।
7. নগদ বহী অনুসৰি অনুকূল বেংক উদ্বৃত্ত বেংক পাছবুক উদ্বৃত্ততকৈ কম হব যেতিয়া পৰিশোধৰ বাবে দাখিল নকৰা চেক থাকিব।
8. গ্ৰাহকৰ হৈ বেংকে প্ৰত্যক্ষভাৱে টকা সংগ্ৰহ কৰিলে পাছবুক অনুসৰি উদ্বৃত্ত বঢ়াব যেতিয়া নগদ বহীৰ উদ্বৃত্তৰ লগত তুলনা কৰা হয়।
9. যেতিয়া বেংকে গ্ৰাহকৰ স্থায়ী নিৰ্দেশমৰ্মে টকা পৰিশোধ কৰে, পাছবুকৰ উদ্বৃত্ত নগদ বহীৰ উদ্বৃত্তৰ লগত তুলনা কৰিলে বেছি হব।

## অধ্যায়টোত প্ৰচলিত মূল পদসমূহ

1. বেংক মিলকৰণ বিবৃতি
2. নগদ বহী আৰু পাছবুক।

## শিকাৰ উদ্দেশ্যসমূহৰ সাৰাংশ

1. বেংক মিলকৰণ বিবৃতি ঃ নগদ বহী অনুসৰি বেংক উদ্বৃত্তৰ সৈতে পাছবুক বা বেংক বিবৃতিৰ উদ্বৃত্তৰ মিলকৰণৰ বাবে প্ৰস্তুত কৰা বিবৃতি যাৰ সহায়ত দুয়োটা হিচাপৰ পাৰ্থক্যৰ প্ৰবিষ্টিবোৰ দেখুওৱা হয়।
2. *পাৰ্থক্যৰ কাৰণসমূহ ঃ*
   — লেনদেন লিপিবদ্ধ কৰাৰ সময়।
   — ব্যৱসায় বা বেংকে কৰা ভুল।
3. *শুদ্ধ নগদ উদ্বৃত্ত ঃ* এইটো ঘটিব পাৰে যে কিছুমান প্ৰাপ্তি বা পৰিশোধৰ প্ৰবিষ্টি যিকোনো এখন বহীত নাইকিয়া হ'ব পাৰে আৰু ভুল হ'লে সংশোধনীৰ প্ৰয়োজন। ইয়াৰ বাবে চোৱাৰ প্ৰয়োজন হয় দুয়োখন বিবৃতিৰ প্ৰবিষ্টি /ভুলবোৰ আৰু অন্যান্য পৰ্য্যাপ্ত তথ্যপাতিবোৰ আৰু বিবৃতি মিলকৰণৰ আগেয়ে শুদ্ধ নগদ উদ্বৃত্ত গণনা কৰিব লাগে।

## অনুশীলনী

***চমু উত্তৰ***

1. বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰাৰ প্ৰয়োজনীয়তা উল্লেখ কৰা।
2. জমাতিৰিক্ত কি?
3. 'বেংকৰ দ্বাৰা ভুলকৈ ডেবিট' এই বিবৃতিটো উদাহৰণেৰে সৈতে চমুকৈ ব্যাখ্যা কৰা।
4. সময়ৰ ব্যৱধানৰ বাবে হোৱা পাৰ্থক্যৰ কাৰণ সমূহ উল্লেখ কৰা।
5. 'নগদ বহী অনুসৰি অনুকূল উদ্বৃত্ত' এই উক্তিটো চমুকৈ ব্যাখ্যা কৰা।
6. নগদ বহীৰ শুদ্ধ উদ্বৃত্ত নিৰ্ণয় কৰাৰ পদক্ষেপ সমূহ বৰ্ণনা কৰা।

*দীঘলীয়া উত্তৰ*

1. বেংক মিলকৰণ বিবৃতি কি? ইয়াক কিয় প্ৰস্তুত কৰা হয়?
2. বেংক পাছবুকে দেখুওৱা উদ্বৃত্ত নগদ বহীৰ বেংক স্তম্ভই দেখুওৱা উদ্বৃত্তৰ লগত অমিল হোৱাৰ কাৰণসমূহ ব্যাখ্যা কৰা।
3. সংশোধিত নগদ উদ্বৃত্তৰ সৈতে বেংক মিলকৰণ বিবৃতিৰ প্ৰস্তুতিৰ প্ৰক্ৰিয়া সম্বন্ধে ব্যাখ্যা কৰা।

## সাংখিক প্ৰশ্ন

*নগদ বহী আৰু পাছ বুকৰ অনুকূল উদ্বৃত্ত*

1. নিম্নলিখিত বিৱৰণৰ পৰা 2005 চনৰ 31 মাৰ্চ তাৰিখে বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা।

(i) নগদ বহী অনুসৰি উদ্বৃত্ত 3200 টকা

(ii) চেক প্ৰদান কৰা হৈছে কিন্তু পৰিশোধৰ বাবে দাখিল কৰা হোৱা নাই 1800 টকা।

(iii) চেক জমা কৰা হৈছে কিন্তু 2005 চনৰ 31 মাৰ্চ পৰ্য্যন্ত সংগ্ৰহ কৰা নাই 2000 টকা।

(iv) বেংক ভৰণি বেংকৰ দ্বাৰা ডেবিট কৰা হৈছে 150 টকা।

(উত্তৰ ঃ পাছবুক অনুসৰি উদ্বৃত্ত 2850 টকা)

2. 2005 চনৰ 31 মাৰ্চ তাৰিখে নগদ বহীয়ে 3700 টকা বেংকত জমাৰ উদ্বৃত্ত দেখুৱায় কিন্তু সেই তাৰিখতে বেংক পাছ বুকে দেখুৱায় যে 700 টকা, 300 টকা, আৰু 180 টকাৰ তিনিখন চেক পৰিশোধৰ বাবে দাখিল কৰা হোৱা নাছিল। ইয়াৰ উপৰি 1200 টকাৰ এখন চেক হিচাপত জমা কৰা হৈছিল কিন্তু বেংকে সংগ্ৰহ কৰা নাই। বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা।

(উত্তৰ ঃ পাছবুক অনুসৰি উদ্বৃত্ত 3680 টকা)

3. নগদ বহীয়ে 7800 টকা বেংক উদ্বৃত্ত দেখুৱায়। নগদ বহীৰ লগত পাছবুকৰ তুলনা কৰোতে তলত দিয়া পাৰ্থক্যবোৰ পৰিলক্ষিত হয়।

(a) বেংকত চেক জমা কৰা হৈছে কিন্তু ক্ৰেডিট কৰা হোৱা নাই 3000 টকা।

(b) চেক প্ৰদান কৰা হৈছে কিন্তু এতিয়ালৈকে পৰিশোধৰ বাবে দাখিল কৰা নাই।

(c) বেংকৰ দ্বাৰা বীমা কিস্তি পৰিশোধ 2000 টকা।

(d) বেংকৰ দ্বাৰা বেংক সুদৰ বাবে ক্ৰেডিট 400 টকা।

(e) বেংকৰ ভৰণি 100 টকা।

(f) এজন গ্ৰাহকৰ দ্বাৰা প্ৰত্যক্ষভাৱে বেংকত জমা 4000 টকা।

(উত্তৰ ঃ পাছবুক অনুসৰি উদ্বৃত্ত 8600 টকা)।

4. 2005 চনৰ 31 ডিচেম্বৰ তাৰিখে অতুলৰ নগদ বহীয়ে 40000 টকাৰ বেংক উদ্বৃত্ত দেখুৱাইছিল এইটো দেখা পোৱা গ'ল যে 2000 টকা, 5000 টকা আৰু 8000 টকাৰ তিনিখন চেক ডিচেম্বৰ মাহত বেংকত জমা দিয়া হৈছিল কিন্তু 2005 চনৰ জানুৱাৰী 02 তাৰিখলৈ পাছবুকত ক্ৰেডিট কৰা হোৱা নাছিল। 7000 টকা আৰু 8000 টকাৰ দুখন চেক ডিচেম্বৰ মাহৰ 28 তাৰিখে প্ৰদান কৰিছিল যদিও 2005 চনৰ জানুৱাৰী 3 তাৰিখলৈ পৰিশোধৰ বাবে দাখিল কৰা হোৱা নাছিল। ইয়াৰ উপৰিও বেংকে 325 টকাৰ সুদেৰে অতুলৰ হিচাপ ক্ৰেডিট কৰিছিল আৰু 50 টকাৰ বেংক ভৰণিৰে অতুলৰ হিচাপ ডেবিট কৰিছিল যাৰ বাবে নগদ বহীত কোনো প্ৰবিষ্টি দিয়া হোৱা নাছিল। 2004 চনৰ 31 ডিচেম্বৰ তাৰিখে এখন বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা।

(উত্তৰ ঃ পাছবুক অনুসৰি উদ্বৃত্ত 40275 টকা)।

5. নমনৰ নগদ বহীৰ লগত পাছবুকৰ তুলনা কৰোতে দেখা পোৱা গ'ল যে 2005 চনৰ 31মাৰ্চ তাৰিখত নগদ বহীৰ দ্বাৰা দেখুওৱা 40960 টকাৰ বেংক উদ্বৃত্ত পাছবুকৰ বেংক উদ্বৃত্তৰ লগত অমিল হয়।

(a) 2005 চনৰ 31 মাৰ্চ তাৰিখত 100 টকা বেংক ভৰণি নগদ বহীত ভৰ্তি হোৱা নাই।

(b) 2005 চনৰ 31 মাৰ্চ তাৰিখে এজন দেনাদাৰে 2000 টকা কোম্পানীৰ বেংক হিচাপত জমা কৰে কিন্তু কোম্পানীৰ নগদ বহীত ইয়াৰ বাবে কোনো প্ৰবিষ্টি নাই।

(c) মুঠ 12980 টকাৰ চেক 2005 চনৰ 31 মাৰ্চৰ আগতে প্ৰদান কৰা হৈছিল আৰু নগদ বহীত লিপিবদ্ধ কৰা হৈছিল কিন্তু সেই তাৰিখৰ পিছলৈ বেংকত পৰিশোধৰ বাবে দাখিল কৰা নাই।

(d) বেংকৰ সৈতে 6900 টকাৰ বাট্টাকৃত, বিল এখন বাট্টাৰ ভৰণি 800 টকাৰ সৈতে নগদ বহীত ভৰ্তি কৰা হৈছে।

(e) 2005 চনৰ 31 মাৰ্চ তাৰিখে 3520 টকা বেংকত প্ৰদান হিচাবে ভৰ্তি কৰা হৈছে কিন্তু পৰৱৰ্ত্তী তাৰিখলৈ বেংকে ক্ৰেডিট কৰা নাই।

(f) ভানুৰ পৰা পোৱা 650 টকাৰ এখন চেক 2005 চনৰ 15 মাৰ্চ তাৰিখে প্ৰত্যাখ্যান হৈছিল কিন্তু নগদ বহীত কোনো প্ৰবিষ্টি দিয়া হোৱা নাই।

2005 চনৰ 31 মাৰ্চ তাৰিখত বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা।

(উত্তৰ ঃ পাছবুক অনুসৰি উদ্বৃত্ত 50870 টকা)

6. 2004 চনৰ 31 ডিচেম্বৰত এখন বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা। সিদিনা মি. হিমাংশুৰ পাছবুকে 7000 টকাৰ উদ্বৃত্ত দেখুৱায়।

(a) এজন গ্ৰাহকে প্ৰত্যক্ষভাৱে 1000 টকাৰ এখন চেক জমা দিয়ে।

(b) বেংকে সুদৰ বাবে 700 টকাৰে মি. হিমাংশুৰ হিচাপ ক্ৰেডিট কৰে।

(c) ডিচেম্বৰ মাহত 3000 টকাৰ চেক প্ৰদান কৰা হৈছিল কিন্তু ইয়াৰ 1000 টকাৰ চেক ডিচেম্বৰ মাহত দাখিল কৰা হোৱা নাছিল।

(উত্তৰ ঃ নগদ বহী অনুসৰি উদ্বৃত্ত 3300 টকা)

7. 2005 চনৰ 31 ডিচেম্বৰ তাৰিখত নিম্নলিখিত বিৱৰণৰ পৰা নগদ বহী অনুসৰি উদ্বৃত্ত দেখুৱাবৰ বাবে এখন বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা।

(a) 2000 টকা আৰু 5000 টকাৰ দুখন চেক 2005 চনৰ অক্টোবৰ মাহত বেংকত জমা কৰা হৈছিল কিন্তু বেংকৰ দ্বাৰা ডিচেম্বৰ মাহত ক্ৰেডিট কৰা হৈছিল।

(b) এজন গ্ৰাহকৰ পৰা পোৱা 800 টকাৰ এখন চেক 2004 চনৰ ডিচেম্বৰ মাহত নগদ বহীৰ বেংক স্তম্ভৰ ভৰ্তি কৰা হৈছিল কিন্তু বেংকত জমা দিয়া হোৱা নাই।

(c) 2005 চনৰ জানুৱাৰী মাহত 10,000 টকাৰ চেক বেংকত জমা দিয়া হৈছিল কিন্তু 2005 চনৰ 31 ডিচেম্বৰলৈকে বেংকৰ দ্বাৰা ক্ৰেডিট কৰা হোৱা নাছিল।

(d) 1000 টকা বিনিয়োগৰ ওপৰত সুদ বেংকে সংগ্ৰহ কৰিছিল আৰু পাছবুকত লিপিবদ্ধ কৰা হৈছিল।

পাছবুক অনুসৰি উদ্বৃত্ত আছিল 66,000 টকা।

(উত্তৰ ঃ নগদ বহী অনুসৰি উদ্বৃত্ত 47800 টকা)

8. মি. কুমাৰৰ পাছবুক অনুসৰি উদ্বৃত্ত হ'ল 3000 টকা।

(a) বেংকত চেক জমা কৰা হৈছে কিন্তু সংগ্ৰহ হোৱা নাই।
ৰাম কুমাৰ 1000 টকা
কিশোৰ কুমাৰ 500 টকা

(b) বেংক ভৰণি 300 টকা

(c) চেক প্ৰদান কৰা হৈছে কিন্তু পৰিশোধৰ বাবে দাখিল কৰা নাই।
হামিদ 2000 টকা
কাপুৰ 500 টকা

(d) 100 টকা সুদ পাছবুকত ভৰ্তি কৰা হৈছে কিন্তু নগদ বহীত ভৰ্তি হোৱা নাই।

(উত্তৰ ঃ নগদ বহী অনুসৰি উদ্বৃত্ত 2200 টকা)

9. 2005 চনৰ 31 ডিচেম্বৰ তাৰিখে মি. মোহিতৰ চলিত হিচাপৰ পাছবুকে 20,000 টকাৰ ক্ৰেডিট উদ্বৃত্ত দেখুৱায়। তলত দিয়া বিৱৰণীৰ পৰা এখন বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা।

(i) 400 টকাৰ সঞ্চয় হিচাপৰ (চেভিংচ একাউণ্টৰ) চেক এখন চলিত হিচাপৰ (কাৰেণ্ট একাউণ্টৰ) হিচাপত লিপিবদ্ধ কৰা হয়।

(ii) ডিচেম্বৰ মাহৰ 25 তাৰিখে তেওঁ 300 টকা আৰু 500 টকাৰ দুখন চেক প্ৰদান কৰিছিল, কিন্তু মাত্ৰ প্ৰথমখন চেক পৰিশোধৰ বাবে দাখিল কৰা হৈছিল।

(iii) ডিচেম্বৰ মাহৰ 25 তাৰিখে মি. মোহিতে প্ৰদান কৰা এখন চেক পৰিশোধৰ বাবে দাখিল কৰা হোৱা নাছিল যদিও নগদ বহীত দুবাৰ লিপিবদ্ধ কৰা হৈছিল।

(উত্তৰ ঃ নগদ বহী অনুসৰি উদ্বৃত্ত 18,900 টকা)

*নগদ বহীৰ প্ৰতিকূল উদ্বৃত্ত ঃ*

10. 2005 চনৰ 1 জানুৱাৰী তাৰিখে নগদ বহী অনুসৰি ৰাকেশৰ জমাতিৰিক্ত আছিল 8000

টকা। 2000 টকাৰ চেক তেওঁ বেংকত জমা কৰিছিল কিন্তু বেংকে 2005 চনৰ 1 জানুৱাৰীলৈ সংগ্ৰহ কৰা নাছিল। তেওঁ 800 টকাৰ এখন চেক প্ৰদান কৰিছিল কিন্তু সেই তাৰিখলৈ পৰিশোধৰ বাবে বেংকত দাখিল কৰা হোৱা নাছিল। তেওঁৰ পাছবুকত 60 টকা সুদৰ বাবে আৰু 100 টকা বেংক ভৰণিৰ বাবে ডেবিট কৰা হৈছিল। দুয়োটা উদ্বৃত্ত তুলনা কৰাৰ কাৰণে বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা।

(উত্তৰ ঃ পাছবুক অনুসৰি জমাতিৰিক্ত 9360 টকা)

11. বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা।

(i) নগদ বহী অনুসৰি 2005 চনৰ 31 ডিচেম্বৰ তাৰিখে জমাতিৰিক্ত 10,000 টকা।

(ii) ওপৰত উল্লেখ কৰা সময়ৰ বাবে পাছবুকত বেংক ভৰণিৰ বাবে ডেবিট কৰা হৈছে 100 টকা।

(iii) 2005 চনৰ 31 ডিচেম্বৰ তাৰিখত ছয় মাহৰ বাবে জমাতিৰিক্তৰ ওপৰত সুদ 380 টকা পাছবুকত ডেবিট কৰা হয়।

(iv) চেক প্ৰদান কৰা হৈছে কিন্তু 2005 চনৰ 31 ডিচেম্বৰ তাৰিখৰ আগতে নগদ কৰা হোৱা নাই 2150 টকা।

(v) বিনিয়োগৰ ওপৰত সুদ বেংকৰ দ্বাৰা সংগ্ৰহ কৰা হৈছে আৰু পাছবুকত ক্ৰেডিট কৰা হৈছে 600 টকা।

(vi) চেক বেংকত জমা কৰা হৈছে কিন্তু 2005 চনৰ 31 ডিচেম্বৰ তাৰিখৰ আগত সংগ্ৰহ কৰা হোৱা নাই 1100 টকা।

(উত্তৰ ঃ পাছবুক অনুসৰি জমাতিৰিক্ত 8830 টকা)

12. কুমাৰে দেখিলে যে 2005 চনৰ 31 ডিচেম্বৰ তাৰিখত নগদ বহী অনুসৰি তেওঁৰ বেংক উদ্বৃত্ত 90,600 টকা (ক্ৰেডিট) কিন্তু পাছবুকে তলত দিয়া কাৰণবোৰৰ বাবে পাৰ্থক্য দেখুৱালে।

1000 টকাৰ এখন চেক (আগৰ তাৰিখৰ /তাৰিখ পাৰ হৈ যোৱা) নগদ বহীৰ বেংক স্তম্ভত ডেবিট কৰা হৈছে কিন্তু পৰিশোধৰ বাবে দাখিল কৰা হোৱা নাই। ইয়াৰ উপৰি

মনোহৰক দিয়া 8000 টকাৰ এখন চেক এতিয়ালৈকে পৰিশোধৰ বাবে দাখিল কৰা হোৱা নাই। মুঠ 1500 টকাৰ চেক বেংকত জমা কৰা হৈছে কিন্তু এতিয়ালৈকে সংগ্ৰহ কৰা হোৱা নাই আৰু 5000 টকাৰ চেক প্ৰত্যাখ্যান হৈছে।

(উত্তৰ ঃ পাছবুক অনুসৰি জমাতিৰিক্ত 1,90,100 টকা)

13. 2005 চনৰ 31 ডিচেম্বৰ তাৰিখে মিট্টাল ব্ৰাদাৰ্চৰ নগদ বহীয়ে 6920 টকাৰ জমাতিৰিক্ত দেখুৱায়। তলত দিয়া বিৱৰণৰ পৰা এখন বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা আৰু পাছবুক অনুসৰি উদ্বৃত্ত নিৰ্ণয় কৰা।

1. বেংকে 200 টকা জমাতিৰিক্তৰ ওপৰত সুদ আৰু 50 টকা বিল সংগ্ৰহৰ ভৰণিৰ বাবে ডেবিট কৰে।
2. চেক প্ৰদান কৰা হৈছে কিন্তু 2005 চনৰ 31ডিচেম্বৰৰ আগতে নগদ কৰা হোৱা নাই 4000 টকা।
3. বেংকে 600 টকা সুদ সংগ্ৰহ কৰিছে আৰু পাছবুকত ক্ৰেডিট কৰিছে।
4. 700 টকাৰ এখন প্ৰাপ্য বিল আগতে বেংকত বাট্টাত ভঙোৱা হৈছিল, প্ৰত্যাখ্যান হৈছে আৰু পাছবুকত ডেবিট কৰা হৈছে।
5. চেক বেংকত জমা দিয়া হৈছে কিন্তু 2005 চনৰ 31ডিচেম্বৰ তাৰিখৰ আগত সংগ্ৰহ হোৱা নাই আৰু ক্ৰেডিট কৰা হোৱা নাই 6000 টকা।

(উত্তৰ ঃ পাছবুক অনুসৰি জমাতিৰিক্ত 9,270 টকা)

14. 2005 চনৰ 31 ডিচেম্বৰ তাৰিখত শ্ৰী ভাণ্ডাৰীৰ বেংক মিলকৰণৰ বিবৃতি প্ৰস্তুত কৰা।

(i) 550 টকাৰ এখন চেক পৰিশোধৰ বাবে পাছবুকত দুবাৰ লিপিবদ্ধ কৰা হৈছে।

(ii) পাছবুকৰ স্তম্ভত 200 টকা কমকৈ লিখা হৈছে।

(iii) 200 টকাৰ এখন চেক নগদ বহীৰ বেংক স্তম্ভত ডেবিট কৰা হৈছে কিন্তু বেংকত চেকখন পঠোৱা হোৱা নাই।

(iv) 300 টকাৰ এখন চেক পাছবুকৰ বেংক স্তম্ভত ডেবিট কৰা হৈছে কিন্তু বেংকত পঠোৱা হোৱা নাই।

(v) প্ৰত্যাখ্যান হোৱা চেকৰ বাবে 500 টকা পাছবুকত ভৰ্তি কৰা হৈছে কিন্তু নগদ বহীত ভৰ্তি কৰা হোৱা নাই।

পাছবুক অনুসৰি জমাতিৰিক্ত 20000 টকা।

(উত্তৰ ঃ নগদবহী অনুসৰি জমাতিৰিক্ত 20,350 টকা)

15. মি. মুৰলিৰ পাছবুক অনুসৰি দেখুওৱা জমাতিৰিক্ত হ'ল 20,000 টকা। 2005 চনৰ 31 ডিচেম্বৰ তাৰিখত বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা।

(i) পাছবুক অনুসৰি বেংক ভৰণিৰ বাবদ ডেবিট 500 টকা

(ii) নগদ বহীত চেক লিপিবদ্ধ কৰা হৈছে কিন্তু সংগ্ৰহৰ বাবে বেংকলৈ পঠোৱা হোৱা নাই 2500 টকা ।

(iii) গ্ৰাহকৰ পৰা প্ৰত্যক্ষভাৱে পোৱা গৈছে 4600 টকা।

(iv) চেক প্ৰদান কৰা হৈছে কিন্তু পৰিশোধৰ বাবে দাখিল কৰা হোৱা নাই 6,980 টকা।

(v) বেংকৰ দ্বাৰা সুদৰ বাবে ক্ৰেডিট 100 টকা।

(vi) বেংকৰ দ্বাৰা জীৱন বীমাৰ কিস্তি প্ৰদান 2500 টকা।

(vii) বেংকত চেক জমা কৰা হৈছে কিন্তু সংগ্ৰহ হোৱা নাই 3500 টকা।

(উত্তৰ ঃ নগদবহী অনুসৰি জমাতিৰিক্ত 22680 টকা)

16. ৰাঘব এণ্ড কো. ৰ দুটা বেংক হিচাপ আছে। হিচাপ নং I আৰু হিচাপ নং - II হিচাপ নং I ৰ লগত সম্পৰ্ক থকা তলত দিয়া বিৱৰণৰ পৰা 2005 চনৰ 31 ডিচেম্বৰত নগদ বহী অনুসৰি প্ৰতিষ্ঠানটোৰ উদ্বৃত্ত নিৰ্ণয় কৰা।

(i) 2005 চনৰ 31 ডিচেম্বৰৰ আগতে চেক বেংকত জমা দিয়া হৈছে কিন্তু ক্ৰেডিট কৰা হোৱা নাই 10,000 টকা।

(ii) 2005 চনৰ 31 ডিচেম্বৰ তাৰিখে 8000 টকাৰ পুঁজি হিচাপ নং-II ৰ পৰা হিচাপ নং-I লৈ বেংকে স্থানান্তৰ কৰিছে কিন্তু নগদ বহীত সেই তাৰিখৰ পিছত ভৰ্তি কৰিছে।

(iii) 2005 চনৰ 31 ডিচেম্বৰ তাৰিখৰ আগতে 7429 টকাৰ চেক প্ৰদান কৰা হৈছিল কিন্তু

উক্ত তাৰিখলৈ পৰিশোধৰ কাৰণে দাখিল কৰা নাই।

(iv) বেংক ভৰণিৰ বাবদ 200 টকা বেংকৰ দ্বাৰা ডেবিট নগদ বহীত ভৰ্তি কৰা হোৱা নাই।

(v) বেংকৰ দ্বাৰা সুদৰ বাবদ ডেবিট 580 টকা নগদ বহীত ভৰ্তি কৰা হোৱা নাই।

(vi) পাছবুক অনুসৰি জমাতিৰিক্ত 18990 টকা।

(উত্তৰ ঃ পাছবুক অনুসৰি জমাতিৰিক্ত 23639 টকা)

17. তলত দিয়া বিৱৰণৰ পৰা এখন বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা আৰু নগদ বহী অনুসৰি উদ্বৃত্ত দেখুওৱা

(i) 2005 চনৰ 31 ডিচেম্বৰ তাৰিখে পাছবুক অনুসৰি উদ্বৃত্ত অতিৰিক্ত আহৰণ 20,000 টকা।

(ii) জমাতিৰিক্তৰ ওপৰত সুদ 2000 টকা নগদ বহীত ভৰ্তি হোৱা নাই।

(iii) 200 টকা বীমা কিস্তি বেংকৰ দ্বাৰা পৰিশোধ কৰা হৈছে, নগদ বহীত ভৰ্তি কৰা হোৱা নাই।

(iv) 2005 চনৰ ডিচেম্বৰ মাহৰ শেষৰ সপ্তাহত 3000 টকা আৰু 3500 টকাৰ চেক বেংকত জমা কৰা হৈছিল কিন্তু 31 ডিচেম্বৰ তাৰিখলৈ সংগ্ৰহ হোৱা নাই।

(v) 2005 চনৰ নৱেম্বৰ মাহত 6000 টকাৰ চেক বেংকত জমা কৰা হৈছিল কিন্তু 2005 চনৰ 31 ডিচেম্বৰ পৰ্য্যন্ত ক্ৰেডিট কৰা হোৱা নাই।

(vi) বেংকৰ দ্বাৰা ভুলক্ৰমে ডেবিট 500 টকা।

(উত্তৰ ঃ নগদ বহী অনুসৰি জমাতিৰিক্ত 17800 টকা)

18. 2005 চনৰ 31 মাৰ্চ তাৰিখে মি. ৰণধীৰৰ পাছবুকে 40950 টকাৰ জমাতিৰিক্ত দেখুৱায়। 2005 চনৰ 31 মাৰ্চ তাৰিখে বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা।

(i) মি. ৰণধিৰৰ 27 মাৰ্চ তাৰিখে জমা কৰা 8000 টকাৰ মুঠ চেকৰ 3000 টকাৰ এখন চেক এপ্ৰিলৰ 3 তাৰিখে নগদ কৰা হৈছিল।

(ii) সুদ সংগ্ৰহৰ বাবদ বেংকৰ দ্বাৰা 3800 টকা ক্ৰেডিট কৰা হৈছে কিন্তু নগদ বহীত ভৰ্তি কৰা হোৱা নাই।

(iii) মি. ৰণধীৰে 10900 টকা নগদ পৰিশোধ কৰে আৰু মাৰ্চৰ 31 তাৰিখে জমা দিয়া 3800

টকাৰ এখন চেক বেংকে এপ্রিল মাহৰ 7 তাৰিখে সংগ্ৰহ কৰে।

(iv) মাৰ্চ মাহৰ 28 তাৰিখে 780 টকাৰ এখন চেক পাছবুকত ক্রেডিট কৰা হয় আৰু প্ৰত্যাখ্যান হোৱাৰ বাবে 2005 চনৰ 1 এপ্রিল তাৰিখে পুনৰ পাছবুকত ডেবিট কৰা হয়। এপ্রিলৰ 15 তাৰিখলৈকে নগদ বহীত প্ৰত্যাখ্যান সম্পৰ্কে প্ৰবিষ্টি দিয়া হোৱা নাছিল।

(উত্তৰ ঃ নগদ বহী অনুসৰি জমাতিৰিক্ত 36,350 টকা)

## পৰিযোজনা কাৰ্য

1. চিল্ক আৰু কাৰ্পেটিৰ দ্বাৰা তোমাক তেওঁলোকৰ কেচিয়াৰ হিচাবে নিযুক্তি দিয়া হৈছে। তোমাৰ প্ৰধান দায়িত্ব হ'ল কোম্পানীৰ নগদ বহী লিপিবদ্ধ কৰা আৰু প্ৰত্যেক মাহৰ শেষত এখন বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা (মাত্ৰ বেংক স্তম্ভৰ টকা দেখুওৱা) নগদ বহীৰ লগত 2005 চনৰ ফেব্ৰুৱাৰী মাহৰ বেংক বিবৃতি প্ৰতিলিপি এখন তলত দিয়া হ'ল।

### তুমি কৰিব লাগে ঃ

- বেংক বিবৃতিৰ সৈতে নগদ বহীৰ মিলকৰণ।
- নগদ বহী বৰ্তমান অৱস্থালৈ লিপিবদ্ধ কৰিবৰ বাবে প্ৰয়োজনীয় প্ৰবিষ্টি।
- নগদ বহীৰ উদ্বৃত্ত আৰম্ভণি হিচাবে লৈ দাখিল নকৰা চেক তালিকাভুক্ত কৰা আৰু মিলকৰণ বিবৃতিত উপ মুঠ নিৰ্ণয় কৰা।
- বেংক লজমেণ্ট বিশদভাৱে ভৰ্তি কৰা।
- বেংক বিবৃতি অনুসৰি উদ্বৃত্ত নিৰ্ণয় কৰা আৰু তোমাৰ মুঠ শুদ্ধতাৰ বাবে বেংক বিবৃতিৰ লগত পৰীক্ষা কৰা।

## চিল্ক এণ্ড কাৰ্পেট লিমিটেড, নগদ বহী

ডেবিট ক্ৰেডিট

| তাৰিখ | বিৱৰণ | বেংক টকা | তাৰিখ | বিৱৰণ | বেংক টকা |
|---|---|---|---|---|---|
| 2005 | | | 2005 | | |
| ফেব্ৰুৱাৰী 01 | আৰম্ভণি উদ্বৃত্ত | 1425 | ফেব্ৰুৱাৰী 01 | ভাৰ্গৱ ব্ৰাদাৰ্চ | 98 |
| ফেব্ৰুৱাৰী 01 | ব্ৰাউন এণ্ড কো. | 157 | ফেব্ৰুৱাৰী 01 | মাৰুটি লিমিটেড 400460 | 50 |
| ফেব্ৰুৱাৰী 04 | ব্ৰিন্দাচ | 243 | ফেব্ৰুৱাৰী 03 | জেকচন লিমিটেড 400461 | 540 |
| ফেব্ৰুৱাৰী 08 | ৰবিনচন লিমিটেড | 91 | ফেব্ৰুৱাৰী 09 | স্পেনচাৰ পাৰ্টনাৰ্চ লিমিটেড 400462 | 42 |
| ফেব্ৰুৱাৰী 13 | মোৰিচ | 75 | ফেব্ৰুৱাৰী 09 | আইভৰি কম্পিউটাৰ 400463 | 490 |
| ফেব্ৰুৱাৰী 20 | কিংকি এণ্ড কো. | 420 | ফেব্ৰুৱাৰী 10 | সূৰ্য ইঞ্জিওৰেঞ্চ | 300 |
| ফেব্ৰুৱাৰী 28 | হোৰেল লিমিটেড | 94 | ফেব্ৰুৱাৰী 16 | শংকৰ গেৰেজ 400464 | 110 |
| | | | ফেব্ৰুৱাৰী 23 | খুচুৰা নগদ 400465 | 50 |
| | | | ফেব্ৰুৱাৰী 27 | স্বৰূপ এণ্ড কো. 400466 | 120 |
| | | | ফেব্ৰুৱাৰী 28 | সামৰণি উদ্বৃত্ত | 705 |
| | | 2505 | | | 2505 |
| ফেব্ৰুৱাৰী 08 | আৰম্ভণি উদ্বৃত্ত | 705 | | | |

ৰোহ্‌টাগী বেংক
10, শাস্ত্ৰী ৰোড, নিউ দিল্লী
হিচাপ ব্ৰুকলাইন লিমিটেড
তাৰিখ ফেব্ৰুৱাৰী 28, 2005

বিৱৰণী
হিচাপ নং - 29842943

| তাৰিখ | বিৱৰণ | ডেবিট | ক্ৰেডিট | উদ্বৃত্ত |
|---|---|---|---|---|
| 2004 | | | | |
| ফেব্ৰুৱাৰী 01 | উদ্বৃত্ত | | | 1425 ক্ৰে. |
| ফেব্ৰুৱাৰী 02 | চেক | | 157 | 1582 ক্ৰে. |
| ফেব্ৰুৱাৰী 04 | মাৰটি লিমিটেড | 50 | | 1532 ক্ৰে. |
| ফেব্ৰুৱাৰী 02 | 400460 | 98 | | 1434 ক্ৰে. |
| ফেব্ৰুৱাৰী 06 | ব্ৰিন্দাচ | | 243 | 1677 ক্ৰে. |
| ফেব্ৰুৱাৰী10 | চেক | | 91 | 1768 ক্ৰে. |
| ফেব্ৰুৱাৰী12 | সূৰ্য্য ইঞ্চিওৰেন্স (ডি.ডি) | 300 | | 1468 ক্ৰে. |
| ফেব্ৰুৱাৰী14 | মোৰিচ | | 75 | 1543 ক্ৰে. |
| ফেব্ৰুৱাৰী14 | 400463 | 490 | | 1053 ক্ৰে. |
| ফেব্ৰুৱাৰী23 | চেক | | 420 | 1473 ক্ৰে. |
| ফেব্ৰুৱাৰী26 | ৰাজেশ্বৰ | 103 | | 1370 ক্ৰে. |
| ফেব্ৰুৱাৰী26 | 400465 | 50 | | 1320 ক্ৰে. |
| ফেব্ৰুৱাৰী27 | সৌম্য | | 220 | 1540 ক্ৰে. |
| ফেব্ৰুৱাৰী28 | বেংক ভৰণি | 38 | | 1502 ক্ৰে. |

2. চিন্নাৰ লিমিটেডৰ হিচাপ সহায়ক হিচাবে তোমাৰ প্ৰধান কাম হ'ল কোম্পানীৰ নগদ বহীত লেনদেনবোৰ ভৰ্তি কৰা। বেংক বিবৃতিৰ লগত নগদ বহীৰ প্ৰবিষ্টিবোৰ পৰীক্ষা কৰা আৰু মাহিলী এখন বেংক মিলকৰণ বিবৃতি প্ৰস্তুত কৰা।

(মাত্ৰ বেংক স্তম্ভৰ টকা দেখুওৱা) নগদ বহী আৰু 2005 চনৰ অক্টোবৰ মাহৰ বেংক বিবৃতি তলত দিয়া হ'ল।

**তুমি কৰিব লাগে ঃ**

- বেংক বিবৃতিৰ সৈতে নগদ বহীৰ মিলকৰণ ।
- নগদ বহী বৰ্তমান অৱস্থালৈ লিপিবদ্ধ কৰিবৰ বাবে প্ৰয়োজনীয় প্ৰবিষ্টি।
- নগদ বহীৰ বেংক স্তম্ভ উদ্বৃত্ত কৰা আৰু সংশোধিত বেংক উদ্বৃত্ত গণনা কৰা।
- নগদ বহীৰ উদ্বৃত্ত আৰম্ভণি হিচাবে লৈ দাখিল নকৰা চেক তালিকাভুক্ত কৰা আৰু মিলকৰণ বিবৃতিত উপমুঠ নিৰ্ণয় কৰা।
- বেংক লজমেণ্ট বিশদভাৱে ভৰ্তি কৰা।
- বেংক বিবৃতি অনুসৰি উদ্বৃত্ত নিৰ্ণয় কৰা আৰু তোমাৰ মুঠ শুদ্ধতাৰ বাবে বেংক বিবৃতিৰ লগত পৰীক্ষা কৰা।

**চিন্নাৰ লিমিটেড, নগদ বহী**

ডেবিট ক্ৰেডিট

| তাৰিখ | বিৱৰণ | বেংক টকা | তাৰিখ | বিৱৰণ | বেংক টকা |
|---|---|---|---|---|---|
| 2005 | | | 2005 | | |
| অক্টোবৰ 01 | আৰম্ভণি উদ্বৃত্ত | 2521 | অক্টোবৰ 01 | ছাৰ্প এণ্ড কো. খাজনা | 400 |
| অক্টোবৰ 04 | এলেন ৰোগাৰচ | 620 | অক্টোবৰ 04 | I ওচৱাল 210526 | 367 |
| অক্টোবৰ 08 | মোৰ এণ্ড কালে | 27 | অক্টোবৰ 05 | হেলথ এণ্ড স্পোৰ্টচ 210527 | 1108 |
| অক্টোবৰ 11 | হোৱাৰ্ড লিমিটেড | 48 | অক্টোবৰ 08 | ইভন এণ্ড চন 210528 | 320 |
| অক্টোবৰ 11 | বেৰেট এণ্ড ব্ৰাইচন | 106 | অক্টোবৰ 13 | খাৰে গেৰেজ 210529 | 32 |
| অক্টোবৰ 12 | ডি পেটেল | 301 | অক্টোবৰ 14 | জে চৌধুৰী 210530 | 28 |

| | | | | | |
|---|---|---|---|---|---|
| 2005 | | | 2005 | | |
| অক্টোবৰ 20 | কোহেন এণ্ড কো. | 58 | অক্টোবৰ 22 | আস্থা ইঞ্চিওৰেন্স (ডি ডি) | 139 |
| অক্টোবৰ 25 | জে.মেকলিভাৰি | 209 | অক্টোবৰ 25 | সোমা কম্পিউটাৰচ 210531 | 1800 |
| অক্টোবৰ 31 | সামৰণি উদ্বৃত্ত | 604 | অক্টোবৰ 30 | ৰাষ্টোগী | 300 |
| | | 4,494 | | | 4,494 |
| | | | নৱেম্বৰ 01 | আৰম্ভণি উদ্বৃত্ত | 604 |

ওম বেংক বিৱৰণী
99, জৱাহৰ মাৰ্গ হিচাপ নং - 06618432
হিচাপ চিন্নাৰ লিমিটেড
তাৰিখ অক্টোবৰ 31, 2005

| তাৰিখ | বিৱৰণ | ডেবিট | ক্ৰেডিট | উদ্বৃত্ত |
|---|---|---|---|---|
| 2004 | | | | |
| অক্টোবৰ 01 | উদ্বৃত্ত | | | 2521 ক্ৰে. |
| অক্টোবৰ 01 | চাৰ্প এণ্ড কো. | 400 | | 2121 ক্ৰে. |
| অক্টোবৰ 04 | এলেন ৰোগাৰচ | | 620 | 2741 ক্ৰে. |
| অক্টোবৰ 07 | 210526 | 367 | | 2374 ক্ৰে. |
| অক্টোবৰ 11 | চেক | | 154 | 2528 ক্ৰে. |
| অক্টোবৰ 13 | ডি. পেটেল (বি.জি.চি) | | 301 | 2829 ক্ৰে. |
| অক্টোবৰ 15 | চেক | | 27 | 2856 ক্ৰে. |
| অক্টোবৰ 18 | 210528 | 320 | | 2536 ক্ৰে. |
| অক্টোবৰ 18 | 210527 | 1108 | | 1428 ক্ৰে. |
| অক্টোবৰ 22 | আস্থা ইঞ্চিওৰেন্স (ডি.ডি) | 139 | | 1289 ক্ৰে. |
| অক্টোবৰ 27 | 210531 | 1800 | | 511 ডে. |

| | | | | |
|---|---|---|---|---|
| অক্টোবৰ 28 | ভৰদ্বাজছ্ | | 114 | 397 ডে. |
| অক্টোবৰ 29 | ৰাষ্টোগী | 300 | | 697 ডে. |
| অক্টোবৰ 29 | বেংকৰ সুত | 53 | | 750 ডে. |
| অক্টোবৰ 29 | বেংক ভৰণি | 45 | | 795 ডে. |

## *তুমি কি শিকিলা তাৰ সত্যাসত্য নিৰূপণৰ কাৰণে তালিকা*

*তুমি কি শিকিলা - I*

(i) 1. সময়ৰ ব্যৱধান 2. ভুল 3. সময়ৰ ব্যৱধান
4. সময়ৰ ব্যৱধান 5. সময়ৰ ব্যৱধান

(ii) 1. গ্ৰাহকৰ হিচাপ 2. ডেবিট 3. ক্ৰেডিট
4. ডেবিট 5. যোগ 6. বাদ
7. লোকচান 8. লোকচান 9. যোগ
10. উচ্চতৰ

*তুমি কি শিকিলা - II*

1. (b), 2. (c), 3. (a), 4. (a), 5. (c) 6. (b)

*তুমি কি শিকিলা - III*

1. (T), 2. (T), 3. (F), 4. (T), 5. (F) 6. (T), 7. (T), 8. (T), 9. (F)